সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৪৩ সংখ্যা, ১০ কাতি, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ / ১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.43 Date Of Publication - 27 October 2024 Rs.10.00/-

## কাৰ্যকৰ্তাৰ এই বলিদান আমি অথলে যাবলৈ নিদিওঁঃ মুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- চামগুৰি বিধানসভা সমষ্টিৰ কংগ্ৰেছ সমৰ্থকে আক্ৰমণ কৰি এজন বিজেপি কৰ্মীক হত্যা কৰা ঘটনাক লৈ কঠোৰ স্থিতি গ্ৰহণ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই কাণ্ডৰ প্ৰহৃতক উচিত শাস্তি দিয়া হ'ব বুলিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হুংকাৰ দিয়ে। সামাজিক মাধ্যমযোগে ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চামগুৰিত কংগ্ৰেছ দলৰ গুণ্ডা বাহিনীয়ে হিংসাত্মক আক্ৰমণেৰে হত্যা কৰা অসম প্ৰদেশ বিজেপিৰ কাৰ্যকৰ্তা বিপুল শইকীয়াৰ আত্মাৰ সদ্‌গতি কামনা কৰিছোঁ। এই আকস্মিক পৰিস্থিতিত শোকাকুল পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ। খবৰটোত যথেষ্ট ব্যথিত হৈছোঁ। এই মৃত্যুৰ বাবে জগৰীয়াসকলক নিশ্চিতভাৱে উচিত শাস্তি প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী গৰাকীয়ে কংগ্ৰেছক চোকা ভাষাৰে সমালোচনা কৰে। তেওঁ পুনৰ কয় যে নিৰ্বাচনৰ সময়ত এনে কাৰ্য সংঘটিত কৰা তথা নিৰ্বাচন ব্যৱস্থাৰ প্ৰতি অনাস্থা দেখুওৱাটো কংগ্ৰেছীসকলৰ ধৰ্ম। এই ঘটনাই কংগ্ৰেছ দলৰ কুখ্যাত চৰিত্ৰক পুনৰ উদঙাই



দিলে। সংবিধান বচোৱাৰ শ্লোগান দিয়া সকলেই নিৰ্বাচনী হিংসাক উদ্‌গনি জনোৱা, এয়া প্ৰকৃততে গণতন্ত্ৰৰ ওপৰত নিৰ্মম আক্ৰমণ। আমাৰ কাৰ্যকৰ্তাৰ এই বলিদান অথলে যাবলৈ নিদিওঁ, দোষীক উচিত শাস্তি দিবলৈ আমি অংগীকাৰবদ্ধ। উল্লেখ্য যে মনোনয়ন-পত্ৰ দাখিলৰ অন্তিম দিনাৰ পূৰ্বেই চামগুৰি বিধানসভা সমষ্টিৰ বিজেপি-কংগ্ৰেছৰ মাজত সংঘাতৰ উদ্ভৱ হৈছে। ইয়াৰ মাজতে যোৱা বৃহস্পতিবাৰে সাংসদ ৰকিবুল হুছেইনৰ পুত্ৰ তথা চামগুৰি বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনে মনোনয়ন-পত্ৰ

(দহ পৃষ্ঠাত চাওক)

## ঘৰৰ মাটিত নিৰ্লজ্জ আত্মসমৰ্পণ টীম ইণ্ডিয়াৰ




ৰঙিলী বাৰ্ত্তাসেৱা- তিনিখনীয়া টেষ্ট শৃংখলাৰ দুখন মেচত শোচনীয়ভাৱে পৰাজয়বৰণ কৰি ঘৰৰ মাটিতে শৃংখলা হেৰুৱালে ৰোহিত বাহিনীয়ে। পুনেত অনুষ্ঠিত দ্বিতীয়খন টেষ্টতো ভাৰতক মাত্ৰ তিনিদিনতে সহজে পৰাস্ত কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰাই নহয়, ভাৰতৰ ভূমিত ঐতিহাসিক টেষ্ট শৃংখলা জয় কৰে। এইদৰে ভাৰতক প্ৰথমবাৰৰ বাবে নিজৰ ঘৰতে টেষ্ট শৃংখলাত পৰাস্ত কৰিছে নিউজিলেণ্ডে। সমান্তৰালকৈ ভংগ হৈছে টেষ্ট ক্ৰিকেটত ভাৰতীয় দলৰ এক ঐতিহাসিক ধাৰা। পুনে টেষ্টত পৰাজয়ৰ লগে লগে ঘৰুৱা টেষ্ট শৃংখলাত ভাৰতৰ ১২ বছৰীয়া অনন্য জয়ৰ ধাৰা ভংগ হৈছে। ইয়াৰ পূৰ্বে ভাৰতীয় দল ২০১২-১৩ চনত ইংলেণ্ডৰ বিপক্ষে অন্তিমবাৰ টেষ্ট শৃংখলাত পৰাস্ত হৈছিল। তেতিয়াৰ পৰাই ঘৰুৱা মাটিত ভাৰতীয় দলৰ আধিপত্য অব্যাহত আছিল। এই সময়ছোৱাত ভাৰতীয় দলে একেলগে ১৮টা টেষ্ট শৃংখলা জয় কৰিছিল যদিও নিউজিলেণ্ডে এই জয়ৰ ধাৰা ৰুদ্ধ কৰে। একে সময়তে ৰোহিত শৰ্মাৰ নেতৃত্বত ভাৰতীয় দল ঘৰুৱা মাটিত চতুৰ্থখন টেষ্টত পৰাস্ত হৈছে। এইদৰে ৰোহিত সৰ্বাধিক ঘৰুৱা টেষ্টত পৰাস্ত হোৱা ভাৰতীয় অধিনায়কৰ ক্ষেত্ৰত যৌথভাৱে

(দহ পৃষ্ঠাত চাওক)

## গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত বিশাল, চুমি, তাৰ্কিকসহ ৮অভিযুক্ত



ৰঙিলী বাৰ্ত্তাসেৱা- দেশজুৰি চাঞ্চল্যৰ সৃষ্টি কৰা কেইবা হেজাৰ কোটিটকীয়া অনলাইন ট্ৰেডিং কেলেংকাৰিৰ অন্যতম অভিযুক্ত মহাপ্ৰৱঞ্চক বিশাল ফুকন, চুমি বৰা আৰু তাৰ্কিক বৰাসহ মুঠ ৮ অভিযুক্তক কামৰূপ (মহানগৰ) জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰৰ পৰা আটাইকেইজন অভিযুক্তক চি বি আয়ে অধিক তথ্য আহৰণৰ উদ্দেশ্যে জেৰা কৰাৰ বাবে গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰলৈ লৈ আহিছিল। আৰক্ষীৰ বাছেৰে ৮জন অভিযুক্তক আদালতলৈ অনা হয়। আদালত চৌহদত নমাৰ সময়তো সংবাদ মাধ্যমে বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰিবলৈ বিচাৰিছিল যদিও সাংবাদিকৰ কেমেৰাৰ সন্মুখত মুখ ঢাকি কোনো কথাৰ উত্তৰ নিদিয়াকৈ বেগেৰে পাৰ হৈ যায় চুমি বৰাই। একেদৰে চুমিৰ স্বামী তাৰ্কিক বৰা আৰু বিশাল ফুকনেও কোনোধৰণৰ সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ নিদিয়াকৈয়ে পাৰ হৈ যায়। তাৰ পিছতে কৰ্তব্যৰত আৰক্ষীয়ে (কামৰূপ) মহানগৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত বিশেষ দণ্ডাধীশৰ সন্মুখত হাজিৰ কৰায় প্ৰৱঞ্চক বিশাল ফুকন, চুমি বৰাসহ ৮ অভিযুক্তক। আদালতে অভিযুক্ত আঠজনকে পুনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আদালতত হাজিৰ কৰোৱাৰ পিছতে আটাইকেইজনকে পুনৰ গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰলৈ নিয়া হয়। জানিব পৰা মতে, অহা সোমবাৰে চুমি বৰাসহ ৮ জন অভিযুক্তক চিবিআইৰ বিশেষ আদালতত হাজিৰ কৰোৱা হ'ব। আদালতত চিবিআয়ে অধিক জেৰাৰ বাবে আটাইকেইজনকে কেইবাদিনৰ জিম্মাত বিচৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে চুমি-বিশাল-

(দহ পৃষ্ঠাত চাওক)

# টাটা ইনষ্টিটিউট অব ছ'চিয়েল ছায়েন্সেছ (টিআইএছএছ)ৰ ১১ সংখ্যক সমাৱৰ্তন সম্পন্ন

ৰঙিলী বাৰ্তাসেৱা- টাটা ইনষ্টিটিউট অব ছ'চিয়েল ছায়েন্সেছ চমুকৈ টি আই এছ এছৰ ১১ সংখ্যক সমাৱৰ্তন মহানগৰীৰ মণিৰাম দেৱান ট্ৰেড চেণ্টাৰত আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হয়। টিছৰ আচাৰ্য অধ্যাপক ডি পি সিঙৰ লগতে আন কেবাগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত এই সমাৱৰ্তনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে ইউনিভাৰ্ছিটি অব ছায়েন্স এণ্ড টেকন'লজি, মেঘালয় (ইউএছটিএম)ৰ উপাচাৰ্য অধ্যাপক গৌৰীদত্ত শৰ্মাই। বন্তি প্ৰজ্বলন আৰু সৰস্বতী বন্দনাৰে আৰম্ভ হোৱা অনুষ্ঠানটোত আদৰণি ভাষণ প্ৰদান কৰে প্ৰ'-উপাচাৰ্য অধ্যাপক শংকৰ দাসে। তেওঁ নিজৰ ভাষণত উপস্থিত থকা অতিথিসকলক আদৰণি জনোৱাৰ লগতে শিক্ষাগ্ৰহণ সম্পূৰ্ণ কৰা শিক্ষাৰ্থীসকলক অভিনন্দন জনায়। 'নাক'ৰ মূল্যায়নত এ+ লাভ কৰা তথা সমাজ বিজ্ঞানৰ শিক্ষাৰ ক্ষেত্ৰত আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে




গৰিমা অক্ষুন্ন ৰখা টিছৰ অনুষ্ঠিত সমাৱৰ্তনত ১৬৫ গৰাকী শিক্ষাৰ্থীয়ে সুখ্যাতিৰে পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ প্ৰমাণ পত্ৰ লাভ কৰে। ইয়াৰে ৫গৰাকী হৈছে সমাজ বিজ্ঞানৰ পিএইছডি গৱেষক, ১১২ গৰাকী স্নাতকোত্তৰ আৰু ৪৮ গৰাকী স্নাতকৰ শিক্ষাৰ্থী। দেশৰ ২০ খন ৰাজ্য, এখন কেন্দ্ৰীয় শাসিত অঞ্চল আৰু দুই চুবুৰীয়া ৰাষ্ট্ৰ ভূটান আৰু নেপালৰ এইসকল সফল ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ জৰিয়তে নিজৰ লগতে সমাজখনক আলোকিত কৰি তুলিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে আচাৰ্য ডি পি সিঙে।

(তিনিপৃষ্ঠাত চাওক)

# সুদূৰ লণ্ডনত অনুষ্ঠিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৬ সংখ্যক জন্মজয়ন্তী উদযাপন

ৰঙিলী বাৰ্তাসেৱা-অসমীয়া জাতীয় জীৱনৰ মহানায়ক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বহুমুখী প্ৰতিভাক জগতবাসীৰ সন্মুখত দাঙি ধৰাৰ প্ৰয়াসেৰে সাত সিগৰ তেৰ নদীৰ সিপাৰত থকি সুদূৰ লণ্ডনৰ কিংছ লেংলিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্ম জয়ন্তী উদযাপন কৰা হয়। অসম সাহিত্য সভাৰ ব্ৰিটেইন শাখাৰ উদ্যোগত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ এক অনুষ্ঠানত সভাপতিত্ব কৰে গীতা বৰুৱাই। সকলোকে আদৰণি জনাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বহুমুখী প্ৰতিভা আৰু



বিভিন্ন জাতি-ধৰ্মক একত্ৰিত কৰি এক ভগৱানক বিশ্বাস কৰিবলৈ, একশৰণ নামধৰ্ম পালন কৰিবলৈ তেওঁৰ সামৰ্থ্যৰ বিষয়ে চমুকৈ ভাষণ দিয়ে। ইয়াৰ পাছতে অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকাৰ দ্বাৰা প্ৰেৰিত এক লিখিত ভাষণ পাঠ কৰা হয়। উপ-সভাপতি নীৰলা বৰুৱাই তেওঁৰ ভাষণত গুৰুজনাৰ সমাজ-ধৰ্ম সংস্কাৰ, শিক্ষা, দাৰ্শনিক আৰু শৈক্ষিক দিশসমূহৰ বিষয়ে উল্লেখ কৰে। সম্পাদক জাহ্নৱী গগৈয়ে শংকৰ জয়ন্তী উদযাপনৰ মাজৰ সম্পৰ্ক আৰু ১৯৯৮ চনত সংস্থাটো প্ৰথম প্ৰতিষ্ঠা হোৱাৰ সময়ত অসম সাহিত্য সভা ইউ কে অধ্যায়ৰ বেনাৰত কেনেদৰে অনা হৈছিল সেই বিষয়ে বক্তব্য আগবঢ়ায়। প্ৰবাসী অসমীয়া সকলে তথা ব্ৰিটেইনত ডাঙৰ-দীঘল হোৱা দ্বিতীয় আৰু তৃতীয় প্ৰজন্মৰ শিশুসকলে নিজৰ শিপাৰ বিষয়ে যাতে এটা ধাৰণা ল'ব পাৰে আৰু পিতৃ-মাতৃ আৰু ককা-আইতাৰ চহকী সংস্কৃতি জানিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি গুৰুজনাক পৰিচয় কৰি দিয়াৰ উদ্দেশ্যে এই আয়োজন কৰা বুলি উল্লেখ কৰে। ব্ৰিটেইনৰ অসমীয়া সাংস্কৃতিক পঞ্জিকাত এই অনুষ্ঠানসমূহ জীয়াই ৰখাৰ সন্দৰ্ভত অনাগত দিনতো প্ৰচেষ্টা কৰিব বুলি কয়। শিল্পী তথা লেখিকা প্ৰাক্তন সভাপতি মঞ্জিৰা চৌধুৰীয়ে নাম প্ৰসংগৰ নেতৃত্ব দিয়াৰ লগতে গুৰুজনাৰ বহুমুখী অৱদান সন্দৰ্ভত আলোকপাত

(দহ পৃষ্ঠাত চাওক)

# মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ নৱম সংখ্যক প্ৰতিষ্ঠা দিৱস



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভৰ সময়তে মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত আজি একেটো দিনতে চল্লিশখনকৈ গ্ৰন্থ উন্মোচন কৰি অসমীয়া ভাষা সাহিত্যলৈ প্ৰেৰণ কৰিছে এক যোগাত্মক বাৰ্তা। গড়মূৰস্থিত জিলা লেখিকা সমাৰোহ সমিতিৰ কাৰ্যালয়ত নৱম সংখ্যক প্ৰতিষ্ঠা দিৱসৰ স্থায়ী সভানেত্ৰী মণিকা মহন্ত গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত সমাৰোহ সমিতিৰ অংগনা, শ্যামলী আৰু মন আকাশৰ ছবি তিনিখন গ্ৰন্থৰ লগতে সমিতিৰ সদস্যাই লিখা ৩৭ খন গ্ৰন্থ আনুষ্ঠানিক ভাৱে উন্মোচন কৰা হয়। জিলা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা লখিমী বৰা শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভা উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড°দেৱজিৎ শইকীয়াই সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী মিনতি শইকীয়াই সম্পাদনা কৰা 'মন আকাশৰ ছবি' (অনুগল্প সংকলন)উন্মোচন কৰে। তেখেতে ভাষণত সৃষ্টিশীল সাহিত্যই সমাজ এখনৰ সঠিক যাত্ৰাপথত দিক্ দৰ্শন কৰিব পাৰে, আওবাটে বাট বুলিব খোজা এটা প্ৰজন্মক নিৰ্দিষ্ট সঠিক দগললৈ ওভতাই আনিব পাৰে। সেইবাবেই সাহিত্যৰ ক্ষেত্ৰত মনোনিৱেশ কৰা সকলোৱেই সৰ্বক্ষণতে সতৰ্কতা অৱলম্বন কৰা উচিত বুলি কয়। তেওঁ আজিৰ দিনটো গৌৰৱৰ দিন বুলি উল্লেখ কৰি লেখিকা সমাৰোহৰ সকলোলৈ ধন্যবাদ জনায়। সমিতিৰ পাৰুল বৰা মিলিয়ে সম্পাদনা কৰা কাব্য গ্ৰন্থ 'অংগনা' উন্মোচন কৰে মাজুলী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰঞ্জিত কুমাৰ ভূঞা আৰু সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী মিনতি শইকীয়াই সম্পাদনা কৰা কাব্য গ্ৰন্থ 'শ্যামলী'

(দহ পৃষ্ঠাত চাওক)

# নৰ্থ-ইষ্টৰ হাতত ৫-০ গ'লত পৰাস্ত জামছেদপুৰ



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত অনুষ্ঠিত ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল মেচখনত নৰ্থ-ইষ্টে জামছেদপুৰক ৫-০ গ'লত বিধ্বস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। উল্লেখ্য যে গৃহ ষ্টেডিয়ামত নৰ্থ-ইষ্টৰ এয়া প্ৰথম জয়। দলৰ এই চমকপ্ৰদ জয়ৰ নায়ক হ'ল অসম সন্তান পাৰ্থিৱ গগৈ আৰু মৰক্কোৰ তাৰকা আলাউদ্দিন আজাৰা। পাৰ্থিৱ আৰু আল্লাউদ্দিনে দুটাকৈ গ'ল স্কৰ কৰে। দলটোৰ হৈ আনটো গ'ল স্কৰ কৰে নিকছনে খেলৰ ৫ মিনিটত আলাউদ্দিনে গ'ল স্কৰ কৰি ঘৰুৱা দলটোক প্ৰথমটো সফলতা প্ৰদান কৰে। ইয়াৰ পিছতে পাৰ্থিৱে ৪৪ আৰু ৫৫ মিনিটত দুটাকৈ গ'ল স্কৰ কৰি নৰ্থ- ইষ্টক ৩-০ গ'লত গুৰুত্বপূৰ্ণ অগ্ৰগতি প্ৰদান কৰে। ৮২ মিনিটত নিকছনে গ'ল স্কৰ কৰি গ'লৰ ব্যৱধান ৪-০লৈ বৃদ্ধি কৰাৰ পিছত ৯০ মিনিটত আলাউদ্দিনে ব্যক্তিগতভাৱে দ্বিতীয়টো গ'ল স্কৰ কৰি নৰ্থ-ইষ্টক ৫-০ গ'লত জয়ৰ সোৱাদ দিয়ে। নৰ্থ-ইষ্টে ৩ নৱেম্বৰত গুৱাহাটীত ওড়িশা এফচিৰে খেলিব।

# বিহালী আৰু চামগুৰিত আপৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিল

ৰঙিলী বাৰ্ত্তাসেৱা- উপ নিৰ্বাচনত ৰাজ্যৰ দুটাকৈ সমষ্টিত প্ৰাৰ্থী প্ৰক্ষেপ কৰিলে আম আদমী পাৰ্টিয়ে। ৭৭ নং বিহালী বিধান সভা সমষ্টিত আপৰ প্ৰাৰ্থী অনন্ত গগৈ আৰু ৮৮ নং চামগুৰি বিধান সভা সমষ্টিত নুৰুল আমিন চৌধুৰীয়ে মনোনয়ন দাখিল কৰে। সহস্ৰাধিক দলীয় কৰ্মী-সমৰ্থক লগত লৈ মনোনয়ন দাখিল কৰে চামগুৰিৰ প্ৰাৰ্থী নুৰুল আমিন চৌধুৰীয়ে। গায়ন-বায়ন সহ নগাঁও নেহৰুবালি খেলপথাৰৰ পৰা সমদল কৰি গৈ মনোনয়ন দাখিল কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন দাখিলৰ সময়ত প্ৰাৰ্থী গৰাকীৰ সৈতে উপস্থিত থাকে আপৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰ, উপ সভাপতি মামুন ইমদাদুল হক চৌধুৰী, সাধাৰণ সম্পাদক পুনম গগৈ আৰু দলৰ আন কেইবাগৰাকীও জ্যেষ্ঠ নেতা। ইপিনে বিহালীত আপৰ প্ৰাৰ্থী অনন্ত গগৈৰ মনোনয়ন দাখিল পৰ্বত দলৰ ৰাষ্ট্ৰীয় তত্ত্বাৱধায়ক



ৰাজেশ শৰ্মা, ৰাজ্যিক উপ সভাপতি অনুৰূপা ডেকাৰজা, সৌমিক সেনগুপ্ত, সাধাৰণ সম্পাদক (প্ৰশাসন) ৰাজীৱ শইকীয়াৰ লগতে উপস্থিত থাকে আপৰ আন কেইবাগৰাকীও জ্যেষ্ঠ নেতা। মনোনয়ন দাখিল পৰ্বত উপস্থিত থাকি ৰাষ্ট্ৰীয় নেতা ৰাজেশ শৰ্মাই দুৰ্নীতিৰ বিৰুদ্ধে জনসাধাৰণক ভোট দিবলৈ আহ্বান জনায়। আপৰ প্ৰতিষ্ঠাতা অৰবিন্দ কেজৰিৱালৰ কামৰ ৰাজনীতি অসমতো প্ৰতিষ্ঠা কৰাৰ লগতে উন্নয়নৰ স্বাৰ্থত নিৰ্বাচনত জনমত সাব্যস্ত কৰিবলৈ আহ্বান জনায় দলৰ উত্তৰ পূৰ্বাঞ্চলৰ তত্ত্বাৱধায়ক ৰাজেশ শৰ্মাই। দুয়োটা সমষ্টিতে দলীয় প্ৰাৰ্থীৰ মনোনয়নক লৈ যথেষ্ট উৎসাহিত হৈছে দলৰ তৃণমূল পৰ্যায়ৰ কৰ্মী - সমৰ্থক সকল। উল্লেখ্য যে ৰাজ্যৰ ৫ টাকৈ বিধান সভা সমষ্টিৰ উপ-নিৰ্বাচনত বঙাইগাঁও, চিদলী আৰু ধলাই সমষ্টিত দলটোৱে প্ৰাৰ্থী প্ৰক্ষেপ কৰা নাই। তুলনামূলক ভাৱে দলৰ সবল গণভিত্তি থকা চামগুৰি আৰু বিহালীত আপে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে।

# উপ- নিৰ্বাচনৰ বাবে ২৪গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল

ৰঙিলী বাৰ্ত্তাসেৱা- উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৫টা বিধানসভা সমষ্টিৰ বাবে ২৪গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ১১নং ধলাই বিধানসভা সমষ্টিত ৩গৰাকী প্ৰাৰ্থী, ৩১নং চিদলী বিধানসভা সমষ্টিত ১গৰাকী, ৩২নং বঙাইগাঁও সমষ্টিত ৫ গৰাকী, ৭৭নং বিহালী বিধানসভা সমষ্টিত ৩ গৰাকী প্ৰাৰ্থী আৰু ৮৮নং চামগুৰি বিধানসভা সমষ্টিত ১২ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াকে ধৰি উপ-নিৰ্বাচনৰ বাবে সৰ্বমুঠ ৩৮গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। উল্লেখযোগ্য যে উপ-নিবাৰ্চনৰ বাবে মনোনয়ন দাখিলৰ ২৫ অক্টোবৰ অন্তিম দিন আছিল।

# সমাজ সংস্কাৰক গড়মূৰীয়া সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীৰ তিথি উদ্‌যাপন



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ ৰজাঘৰীয়া চাৰি সত্ৰৰ অন্যতম মাজুলীৰ গড়মূৰ সত্ৰৰ চতুৰ্দশ গৰাকী সত্ৰাধিকাৰ, বিপ্লৱী ধৰ্মগুৰু, সমাজ সংস্কাৰক পীতাম্বৰ দেৱগোস্বামীৰ তিথি বৃহস্পতিবাৰে সত্ৰখনিত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। প্ৰৱাদপুৰুষ সত্ৰাধিকাৰ গৰাকীৰ তিথিৰ কাৰ্যসূচী পুৱা উষা কীৰ্তনেৰে আৰম্ভ হয়। পুৱা ৪ঃ৩০ বজাত সত্ৰৰ যুৱ বৈষ্ণৱ সকলে সত্ৰৰ চ'ৰাত উষা কীৰ্তন আৰম্ভ কৰি গড়মূৰ তিনিআলিৰ সত্ৰৰ মূল তোৰণলৈকে পৰিবেশন কৰি পুনৰ সত্ৰৰ সত্ৰাধিকাৰ গৰাকীৰ প্ৰতিমূৰ্তিৰ সন্মুখত সামৰণি মাৰে । তাৰ পিচতে আইসকলে নাম পৰিবেশন কৰে । সত্ৰাধিকাৰ পৰমানন্দ দেৱগোস্বামীয়ে বৈষ্ণৱৰ উপস্থিতিত পীতাম্বৰ দেৱগোস্বামীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জনায়। তিথিৰ শ্ৰাদ্ধৰ কাম সমাপ্ত হোৱাৰ পিচত বৰঘোষা, নাম-প্ৰসংগ, প্ৰসাদ, ভোগ বিতৰণেৰে পুৱা ভাগৰ কাৰ্যসূচী সমাপ্ত হয় । দিনৰ এক বজাৰ পৰা বৰনামলগোৱা জীৱন ভূঞাৰ পৰিচালনাত উঠা নাম, শিশু বৈষ্ণৱৰ গায়ন বায়ন, নটুৱা নৃত্য প্ৰদৰ্শনৰ পিচত পল্লব দত্তই ওজাপালি পৰিবেশন কৰে । সন্ধ্যা প্ৰয়াত সত্ৰাধিকাৰৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন, আৰতি, ৰাতিৰ প্ৰসংগৰে দিনজোৰা তিথিৰ কাৰ্যসূচীৰ সামৰণি পৰে ।

# অসমৰ 'এনকাউন্টাৰ'ক লৈ উচ্চতম ন্যায়ালয়ৰ শুনানি



ৰঙিলী বাৰ্ত্তাসেৱা- অসমত সংঘটিত হোৱা এনকাউন্টাৰক লৈ উচ্চতম ন্যায়ালয়ে এক গুৰুত্বপূৰ্ণ শুনানি গ্ৰহণ কৰে। ৰাজ্যৰ 'এনকাউণ্টাৰ'ক লৈ ৰুজু হোৱা এটা গোচৰৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ সূৰ্য কান্ত আৰু উজ্জ্বল ভূঞাৰ খণ্ড বিচাৰপীঠে আনকি ৰাজ্যৰ এটা বিশেষ সম্প্ৰদায়ক অসম আৰক্ষীয়ে লক্ষ্য কৰি লৈছে নেকি বুলিও প্ৰশ্ন উত্থাপন কৰে। মানৱ অধিকাৰ কৰ্মী তথা অধিবক্তা আৰিফ ইয়াছিন জোৱাদ্দাৰে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ উজ্জ্বল ভূঞাই কয় যে ভুৱা এনকাউন্টাৰক লৈ অসমৰ ইতিহাস বিশেষ সুবিধাজনক নহয়। ন্যায়ালয়ত অসম চৰকাৰক প্ৰতিনিধিত্ব কৰা জ্যেষ্ঠ অধিবক্তা নলীন কোহলিৰ আগত ন্যায়াধীশ ভূঞাৰ প্ৰশ্ন- ২০২১, ২০২২ চনত হোৱা এনকাউণ্টাৰৰ তদন্ত এতিয়াও কেনেকৈ চলি থাকে? তদন্তৰ বাবে য'ত দহ-পোন্ধৰ দিনৰ বেছি লগা উচিত নাছিল। এয়া নিৰৰ্থক তদন্ত অবিহনে আন একো নহয়। শুনানিকালত 'ভুৱা এনকাউণ্টাৰ'ৰ বিষয়টোত ন্যায়াধীশ সূৰ্য কান্তই ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ভূমিকাক লৈও প্ৰশ্ন উত্থাপন কৰা পৰিলক্ষিত হয়। তেওঁ কয় যে অসমৰ এনকাউন্টাৰসমূহক লৈ আয়োগৰ আৰু কিছু কৰণীয় আছিল। জনগণৰ মৌলিক অধিকাৰ সুনিশ্চিত কৰাৰ বাবে মানৱ অধিকাৰ আয়োগে সদায় আগভাগতহে ল'ব লাগে। আনহাতে, আৰক্ষীৰ এনকাউণ্টাৰত মৃত্যু হোৱা এজন অভিযুক্তৰ পত্নীয়ে সংশ্লিষ্ট গোচৰ আগবঢ়াই নিনিয়াৰ বাবে অসম মানৱ অধিকাৰ আয়োগে গোচৰ বন্ধ কৰি দিয়াৰ বিষয়টোক ( চাৰিপৃষ্ঠাত চাওক)

# জীৱন যুঁজত হাৰ মানিলে অসম আৰক্ষীৰ উপ-পৰিদৰ্শক অৰ্চনা দেৱীয়ে

ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত নিয়তিৰ ওচৰত হাৰ মানিলে অসম আৰক্ষীৰ উপ-পৰিদৰ্শক অৰ্চনা দেৱীয়ে। ১০ অক্টোবৰৰ নিশা সোণাপুৰত কৰুণ দুৰ্ঘটনাত পতিত হৈছিল মহিলা SI গৰাকী। নিশা আৰক্ষীৰ পেট্ৰলিং বাহনে খুন্দিয়াইছিল ৰৈ থকা ট্ৰাকত। সেই দুৰ্ঘটনাত অৰ্চনা দেৱীসহ আহত হৈছিল কনিষ্টবল, হাবিলদাৰৰ আৰু চালক। গুৰুতৰভাৱে আঘাত পাই GMCHৰ ICUত চিকিৎসাধীন হৈ আছিল অৰ্চনা দেৱী। অৰ্চনা দেৱী অসম আৰক্ষীৰ ২০২১ বেটছৰ আৰক্ষীৰ উপ-পৰিদৰ্শক। দৰঙৰ অৰ্চনা দেৱী SI হিচাপে নিযুক্ত আছিল ভঙাগড় আৰক্ষী থানাত।



# টাটা ইনষ্টিটিউট অব

মুখ্য অতিথি গৌৰী দত্ত শৰ্মাই ১৩ গৰাকী কৃতী শিক্ষাৰ্থীক মেডেল প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ টিছৰ সামাজিক দায়বদ্ধতাৰ প্ৰশংসা কৰে। তেওঁ কয়, "উত্তৰ-পূব ভাৰতৰ বৈচিত্ৰ্যতাৰে ভৰা সমাজখনক বুজি পাবলৈ আৰু নিজা দৃষ্টিভংগীৰে সমাজৰ লোকসকলক জানিবলৈ আৰু বুজিবলৈ সমাজ বিজ্ঞান অধ্যয়ন কৰাতো অতিশয় প্ৰয়োজনীয়। এই বৈচিত্ৰ্যতাক মূলধন কৰিয়েই আমি সমাজখনত সুস্থিৰতা আৰু শান্তি-সম্প্ৰীতি বৰ্তাই ৰাখিব পাৰো।" নিজৰ ভাষণত ইউএছটিএমৰ উপাচাৰ্যগৰাকীয়ে টিছৰ পাঠ্যক্ৰমে বৰ্তমানৰ জটিল সন্ধিক্ষণ ব্যতিক্ৰমী চিন্তাধাৰা, সমালোচনাত্মক দৃষ্টিভংগী আৰু বহল মানসিকতাক প্ৰাধান্য দি অহা কাৰ্যকো ভূয়সী প্ৰশংসা কৰে। উক্ত এই সমাৱৰ্তন ডিগ্ৰী প্ৰদান কৰাৰ লগতে বিভিন্ন শিতানত সফলতা লাভ কৰা শিক্ষাৰ্থীসকলৰ মাজত পুৰস্কাৰো বিতৰণ কৰা হয়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপক কল্পনা সাৰথিয়ে।

# ডিব্ৰুগড় বিজ্ঞান সমিতিৰ স্মৃতিচাৰণ আৰু সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন



ৰঙিলী বাৰ্তাসেৱা- অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাৰ উদ্যোগত আৰু কানৈ মহাবিদ্যালয়ৰ সহযোগত ২০ অক্টোবৰত ডিব্ৰুগড় হনুমানব' সুৰজমল কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত এখনি স্মৃতিচাৰণ আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সভাপতি ড° ভাৰতী দত্তৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক নাছিৰ চুলতানে। অসমৰ দুগৰাকী বিশিষ্ট বিজ্ঞানী ড° জ্যোতি প্ৰসাদ মেধি আৰু ডাঃ বংশীধৰ বৰুৱাৰ জন্ম শতবৰ্ষ আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা বিশিষ্ট চিকিৎসা বিজ্ঞানী ডাঃ ফাৰুক আহমেদৰ সম্বৰ্ধনা অনুষ্ঠান উদযাপনৰ তাৎপৰ্য ব্যাখ্যা কৰে। তিনিও গৰাকী বিজ্ঞানীয়ে শৈক্ষিক দিশত যথেষ্ট অৱদান আগবঢ়াইছে। ড° মেধি আৰু ডাঃ বৰুৱাৰ প্ৰতিচ্ছবিৰ সমুখত মুখ্য প্ৰজ্বলক হিচাপে বন্তি প্ৰজ্বলন কৰে ড° পৰমানন্দ মহন্তই। ড° জ্যোতি মেধিৰ জীৱন তথা শৈক্ষিক অৱদান সম্পৰ্কত তথ্যবহুল বক্তৃতা প্ৰদান কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ অৱসৰী প্ৰাধ্যাপক ড° কমলেশ্বৰ দত্তই কয় যে স্নাতক আৰু স্নাতকোত্তৰ দুয়োটা পৰীক্ষাতে সোণৰ পদক লাভ কৰা এইগৰাকী বিজ্ঞানীৰ গ্ৰন্থ আমেৰিকা, ইংলেণ্ড আদি দেশৰো কলেজ, বিশ্ববিদ্যালয়ত টেক্সবুক হিচাপে প্ৰচলন হোৱাটো গৌৰৱৰ কথা। তেখেতে আন্তঃৰাষ্ট্ৰীয় বিজ্ঞানীৰ সন্মান লাভ কৰাটো অসমবাসীৰ বাবে গৌৰৱৰ বিষয় বুলিও উল্লেখ কৰে। পৰিসংখ্যাবিদ গৰাকীৰ ভাতৃ ডাঃ ৰমা প্ৰসাদ মেধিয়ে জ্যেষ্ঠ ভাতৃৰ স্মৃতিত চমু বক্তৃতা আগবঢ়ায়। মুখ্য অতিথিৰ ভাষণত উপাচাৰ্য ড° জিতেন হাজৰিকাই ড° মেধিৰ মেধাৰ উল্লেখেৰে তেখেতৰ বৌদ্ধিক অৱদান সম্পৰ্কে কয়। ডাঃ বংশীধৰ বৰুৱা আৰু ডাঃ ফাৰুক আহমেদৰ চিকিৎসক হিচাপে থকা অৱদানৰো ব্যাখ্যা কৰে। ডাঃ বংশীধৰ বৰুৱাৰ সান্নিধ্য সোঁৱৰি লাহোৱালস্থিত আঞ্চলিক গৱেষণাগাৰৰ প্ৰাক্তন সঞ্চালক ড° জগদীশ মহন্তই প্ৰতিস্থাপক সঞ্চালক ডাঃ বৰুৱাৰ চিকিৎসক হিচাপে ৰোগ নিৰ্ণয়ৰ নিৰ্ভুল গুণৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। ড° পৰমানন্দ মহন্তই ড° বৰুৱাৰ বিজ্ঞান সমিতিৰ সৈতে তেখেতৰ ওতপ্ৰোত সম্পৰ্কৰ কথা কয়। ডাঃ ফাৰুক আহমেদক সম্বৰ্ধনা পত্ৰ, ফুলাম গামোছা, গ্ৰন্থৰ টোপোলা আৰু এখনি সঁফুৰাৰে বিজ্ঞান সমিতিয়ে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা পত্ৰ পাঠ কৰে ড° ভাৰতী দত্তই। ড° আহমেদৰ বিশাল অৱদানৰ বাবে সমাজ তেখেতৰ প্ৰতি কৃতজ্ঞ হৈ থাকিব বুলি পত্ৰখনিত উল্লেখ কৰা হয়। পৌৰনিগমৰ মেয়ৰ ডাঃ সৈকত

(দহ পৃষ্ঠাত চাওক)

# চিদলী সমষ্টিৰ প্ৰাৰ্থী ঘোষণা ইউ পি পি এল আৰু বি পি এফৰ



ৰঙিলী বাৰ্তাসেৱা- চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বি পি এফ আৰু ইউ পি পি এল দলৰ প্ৰাৰ্থী ঘোষণা। চিদলী বিধানসভা সমষ্টিৰ অন্তৰ্গত কাশীকোত্ৰাস্থিত এনডিএৰ কেন্দ্ৰীয় নিৰ্বাচন পৰিচালনা কাৰ্যালয়ত অংশীদাৰ দল ইউপিপিএলৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক (প্ৰশাসন) ৰাজু কুমাৰ নাৰ্জাৰীয়ে দলৰ চিৰাং জিলা সমিতিৰ সভাপতি নিৰ্মল কুমাৰ ব্ৰহ্মৰ নাম ৩১নং চিদলী (জনজাতি) বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ দলীয় প্ৰাৰ্থী হিচাপে ঘোষণা কৰে। দলৰ কাৰ্যকৰী সভাপতি ইউ জি ব্ৰহ্ম আৰু সাংসদ জয়ন্ত বসুমতাৰী, এমচিএলএ মাধৱ ছেত্ৰীৰ উপস্থিতিত আনুষ্ঠানিকভাবে প্ৰাৰ্থীৰ নাম ঘোষণা অনুষ্ঠানত ইউপিপিএল দলৰ উপৰি এনডিএৰ অংশীদাৰ দল বিজেপি, অগপৰ জিলা সমিতিৰ বিষয়ববীয়াসকলৰ লগতে সহস্ৰাধিক দলীয় কৰ্মী তথা সমৰ্থকসকল উপস্থিত থাকে। উৎফুল্লিত দলীয় কৰ্মী তথা

(দহ পৃষ্ঠাত চাওক)

# গুৱাহাটী মহানগৰীত বৃদ্ধি পাইছে ডেংগিৰ প্ৰাদুৰ্ভাৱ

ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীত ডেংগিয়ে লৈছে ভয়ংকৰ ৰূপ। ইজনৰ পিছত সিজন লোক আক্ৰান্ত হৈছে ডেংগিত। যাক লৈ এতিয়া শংকিত হৈ পৰিছে মহানগৰবাসী। মঙলবাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাতে মৃত্যু হয় ডেংগিত এগৰাকী মহিলাৰ। মৃত মহিলাগৰাকীৰ ঘৰ গুৱাহাটীৰ ভাস্কৰনগৰত। বিগত কেইবাদিন ধৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল মহিলাগৰাকী। উল্লেখ্যযে বিগত সপ্তাহৰ শনিবাৰেও ডেংগিত আক্ৰান্ত হৈ ভাস্কৰনগৰৰ সুনিতা বসুমতাৰী নামৰ মহিলাগৰাকীৰ মৃত্যু হৈছিল। দীৰ্ঘদিন ধৰি গুৱাহাটীৰ ভাস্কৰনগৰ অঞ্চলত বৃদ্ধি পাইছে ডেংগিৰ প্ৰাদুৰ্ভাৱ। ভাস্কৰ নগৰৰ একেটা পৰিয়ালৰে ৫জন সদস্য আক্ৰান্ত হৈছে ডেংগিত। কিন্তু ইমানৰ পিছতো প্ৰশাসনে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ। বৰ্তমানো GMCHত চিকিৎসাধীন হৈ আছে ডেংগীত আক্ৰান্ত কেইবাজনো লোক। ইয়াৰ পাছতে এতিয়া গুৱাহাটীৰ ৪টা অঞ্চলক ৰেড জ'ন ঘোষণা কৰিছে গুৱাহাটী জিলা প্ৰশাসনে। গুৱাহাটীৰ ভাস্কৰ নগৰ, কাৰ্বি পথ, জু-ৰোডৰ অম্বিকাগিৰি নগৰ আৰু বামুণীমৈদাম ৰে'লৰে কলনীক ৰেড জ'ন ঘোষণা কৰিছে জিলা প্ৰশাসনে। উল্লেখ্যযে ভাস্কৰ নগৰ, হাতীগড় চাৰিআলি, গীতানগৰ, কাৰ্বি পথ আদিত নিতৌ ইজনৰ পিছত আনজন ডেংগি ৰোগত আক্ৰান্ত হৈছে। স্বাস্থ্য বিভাগৰ সূত্ৰ অনুসৰি, বিগত এটা মাহত বৃহত্তৰ ভাস্কৰ নগৰ অঞ্চলত ৩০জনৰো অধিক লোক ডেংগিত আক্ৰান্ত হৈছে। ডেংগিৰ হটস্পটত পৰিণত হৈছে গুৱাহাটীৰ ভাস্কৰ নগৰ।

# শিশু শিক্ষা সমিতি, অসমৰ প্ৰান্তীয় চিন্তন বৈঠক



ৰঙিলী বাৰ্তাসেৱা- শিশু শিক্ষা সমিতি, অসমৰ প্ৰান্তীয় চিন্তন বৈঠক গুৱাহাটী জু-ৰোডস্থিত অসম প্ৰকাশন ভাৰতীৰ শন্তনু ৰঘুনাথ শেণ্ডেজী সভাগৃহত অনুষ্ঠিত হয়। সভাত বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ মাননীয় সাংগঠনিক সম্পাদক ড° পৱন তিৱাৰী, শিশু শিক্ষা সমিতি, অসমৰ সভাপতি কুলেন্দ্ৰ কুমাৰ ভাগৱতী, সাধাৰণ সম্পাদক জগন্নাথ ৰাজবংশী, সাংগঠনিক সম্পাদক নীৰৱ ঘেলানী, কাৰ্যকৰী পৰিষদৰ কেইবাগৰাকী সদস্য, কেইবাগৰাকী নিৰ্বাচিত প্ৰধানাচাৰ্য, পূৰ্ণকালীন কাৰ্যকৰ্তাকে ধৰি মুঠ ৫০ গৰাকী উপস্থিত আছিল। প্ৰচাৰ প্ৰমুখ মুকুটেশ্বৰ গোস্বামীয়ে জানিবলৈ দিয়া মতে কেইবাটাও সত্ৰত অনুষ্ঠিত হোৱা সভাখনত বিদ্যা ভাৰতী কেন্দ্ৰীয় সমিতিৰ পৰা নিৰ্ধাৰিত কৰা বিন্দুসমূহৰ ওপৰত বিতংভাৱে আলোচনা কৰি শিশু শিক্ষা সমিতি, অসমৰ লগতে নিকেতন সমূহক আগুৱাই নিয়াৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰিব পাৰি সেই সম্পৰ্কে নীতি-নিৰ্দেশনা প্ৰস্তুত কৰা হয়।

# অসমৰ 'এনকাউন্টাৰ'ক


লৈও ন্যায়াধীশ সূৰ্যকান্তই উদ্বিগ্নতা ব্যক্ত কৰিছে। তেওঁ কয়- আমি স্পষ্টকৈ এই কাৰ্য মানি নলওঁ। গোচৰ কিয় বন্ধ কৰিব লাগে? অসম মানৱ অধিকাৰ আয়োগে বন্ধ কৰা গোচৰৰ বিষয়টো ন্যায়ালয়ে পৰীক্ষা কৰি চাব বুলিও ন্যায়াধীশ সূৰ্যকান্তে লগতে স্পষ্ট কৰি দিয়ে। ইপিনে অসমত সংঘটিত ১৭১টা এনকাউণ্টাৰৰ বিস্তাৰিত তথ্য প্ৰদান কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ প্ৰদান কৰি খণ্ড বিচাৰপীঠে ২৬ নৱেম্বৰত পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে। উল্লেখ্য যে ন্যায়ালয়ত জোৰাদ্দাৰক প্ৰতিনিধিত্ব কৰা জ্যেষ্ঠ অধিবক্তা প্ৰশান্ত ভূষণে এনকাউণ্টাৰকৈ অসম আৰক্ষীৰ কেইবাটাও ঘটনাৰ সবিশেষ দাঙি ধৰা পৰিলক্ষিত হয়। ইয়াৰ পূৰ্বে ভুৱা এনকাউণ্টাৰক লৈ জোৰাদ্দাৰে দাখিল কৰা আবেদন গুৱাহাটী উচ্চন্যায়ালয়ে খাৰিজ কৰিছিল। সংবাদ মাধ্যমত প্ৰকাশিত প্ৰতিবেদনৰ ভিত্তিত জনোৱা আবেদনৰ বাবে উচ্চন্যায়ালয়ে আনকি জোৰাদ্দাৰক ভৰ্ৎসনাও কৰিছিল।

# টুৱেলফথ্ ফেইল- যিজনে যুদ্ধ নকৰে তেওঁহে পৰাজিত হয়

ড° বুলজিৎ বুঢ়াগোহাঁই

প্রযুক্তিগত বিশ্বত অসমীয়া কিতাপৰ ভৱিষ্যৎ কি হ'ব সেই বিষয়ে সকলোৰে মনত প্ৰশ্ন উদয় হয় । এটা কথা মনত ৰখা ভাল যে ছপা কিতাপৰ আদৰ সদায় থাকিব। তাত কোনো সন্দেহ কৰিব নালাগে । কিয়নো ছপা কিতাপ এখন পঢ়ি যি আনন্দ পোৱা যায় তেনে আনন্দ আন কোনো মাধ্যমত পোৱা নাযায় সেই কথা কিতাপ অধ্যয়ন কৰা সকলোৱে একমত হ'ব । কিন্তু তাৰ বাবে পঠনযোগ্য কিতাপও নিয়মীয়াকৈ অসমীয়া ভাষাত প্ৰকাশ হ'ব লাগিব আৰু সেই কিতাপবোৰ পাঠকৰ হাতত পৰাও ব্যৱস্থা গ্ৰহণ কৰিব লাগিব প্ৰকাশকসকলে । তাৰোপৰি, পঠনযোগ্য কিতাপবোৰৰ সমালোচনা বাতৰি কাকত আৰু আলোচনীত প্ৰকাশ হ'ব লাগিব। বাতৰি কাকত আৰু আলোচনীবোৰত কিতাপৰ সমালোচনা প্ৰকাশ কৰা দেখা যায়। এনেধৰণৰ সমালোচনাৰ যোগেদি পাঠকসকলে কিতাপখনৰ বিষয় বস্তুৰ সম্পৰ্কে জানিব পাৰে আৰু কিতাপখন ক্ৰয় কৰা বা নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

এখন গ্ৰন্থৰ কথা উল্লেখ কৰিব বিচাৰিছো। গ্ৰন্থখন নাম হ'ল- ৰাগিণী পূবালী বৰাৰ অৰ্পদিত উপন্যাস "টুৱেলফথ্ ফেইল"। এই গ্ৰন্থখন অনুৰাগ পাঠকে হিন্দী ভাষাত লিখা গ্ৰন্থখনৰ পৰা অসমীয়া ভাষালৈ অনুবাদ। অনুৰাগ পাঠকৰ বহুপঠিত উপন্যাস "টুৱেলফথ্ ফেইল"ৰ আধাৰত বিধু বিনোদ চোপ্ৰাই "টুৱেলফথ্ ফেইল" নামৰ




এখন চিনেমাও ২০২৩ চনত নিৰ্মাণ কৰিছিল।

লেখকে উপন্যাসখনৰ 'অনুবাদ কথা'ত উল্লেখ কৰিছে - " আমি জীৱন যুদ্ধৰ পৰাজিত সৈনিক হ'ব খোজা নাই। আমাৰ প্ৰজন্মৰ প্ৰতিজন যুৱক-যুৱতীয়েই নিজক যুঁজাৰু সৈনিক হিচাপে চাব খোজোঁ। প্ৰয়োজন মাথোন ইতিবাচক পৰিৱেশ-পৰিস্থিতিৰ। ইতিবাচক জীৱনৰ সপক্ষে থিয় দিয়া এই উপন্যাসখন আমাৰ বোধেৰে প্ৰতিজন অসমীয়া যুৱক-যুৱতীয়ে পঢ়া উচিত। কঠোৰ সংগ্ৰাম, সংঘাত আৰু সংঘৰ্ষৰ মাজত তিষ্ঠি থাকিবলৈ হ'লে মানসিকভাৱে আমি কিমানখিনি শক্তিশালী হৈ থাকিব লাগিব- উপন্যাসখনৰ কাহিনীয়ে সেয়া আমাক উপলব্ধি কৰাইছে। উপন্যাসখনৰ কাহিনীয়ে হাজাৰ হতাশাই আৱৰি ধৰিলেও আপোনাক জীয়াই থকাৰ প্ৰেৰণা দিব। আশাবাদী হৈ জীয়াই থাকি সপোনক সাকাৰ ৰূপ দিব খোজা প্ৰতিজন অসমীয়া যুৱক-যুৱতীৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই উপন্যাসখন অনুবাদ কৰাৰ কথা ভবা হৈছিল।"

লেখকৰ সৈতে আমিও একমত। সচাঁকৈ "টুৱেলফথ্ ফেইল" এখন অনুপ্ৰেৰণামূলক উপন্যাস । এই উপন্যাসখন পঢ়ি অনুভৱ কৰিছো যে শিক্ষাৰ্থীসকলে এনেধৰণৰ উপন্যাস পঢ়া উচিত। উপন্যাসখনত বৰ্ণিত মনোজ কুমাৰ শৰ্মা আৰু শ্ৰদ্ধা যোশীৰ কাহিনীৰ যোগেদি যিসকলে বিফলতাক নেওচি ধৈৰ্য্য, সাহস, নিষ্ঠা আৰু সততাৰে আগুৱাই যায় সেইসকল এদিন নহয় এদিন সফল হ'বই তেনেধৰণৰ ইংগিত দিছে। উপন্যাসখনৰ কাহিনীৰ পৰা ক'ব পাৰি যে যিজনে যুদ্ধ নকৰে তেওঁহে পৰাজিত হয়।

এই গ্ৰন্থখনৰ প্ৰকাশক হ'ল- প্ৰদ্যুৎ হাজৰিকা, বনলতা, নতুন বজাৰ, ডিব্ৰুগড়- ১, শাখাঃ পাণবজাৰ, গুৱাহাটী-১; নিউ বালিবাট, যোৰহাট; অ'ন্ড টেক্সি ষ্টেণ্ড, ক'ৰ্ট তিনিআলি, লখিমপুৰ। প্ৰথম সংস্কৰণঃ অক্টোবৰ, ২০২৪। গ্ৰন্থখনত মুঠ ২৪০ পৃষ্ঠা আৰু মূল্য ৪৩০ টকা । এখন সুন্দৰ গ্ৰন্থ অসমীয়া ভাষাত পাঠক সমাজলৈ আগবঢ়োৱা বাবে লেখক ৰাগিণী পূবালী বৰা আৰু প্ৰকাশক প্ৰদ্যুৎ হাজৰিকাক ধন্যবাদ জনাইছো ।

ধাৰাবাহিক গল্প

# এজন পাগল

শৈলেন কুমাৰ,
মির্জা (কামৰূপ )




খণ্ড - ৫

আজিৰ সমাজত সত্যৰ কথা ক'লে মানুহে পাগল অথবা বলিয়া বুলি ভাবে। কিন্তু কিছুমান পাগলে দেশৰ বাবে জাতিৰ বাবে প্ৰাণ আহুতি দি দেশ ৰক্ষা কৰাও ইতিহাসৰ পৃষ্ঠাত সোণালী আখৰে লিপিবদ্ধ হৈ আছে। এফালে অবিনাশৰ কোনো খবৰ নেপায় অবিনাশৰ মাঁক বলিয়াৰ দৰে হৈ অনাইবনাই ঘূৰি ফুৰিছে । লগতে পৰশুৰাম চৌধুৰীৰ ভেৰণীয়া গুণ্ডাই অবিনাশক বিছাৰি চহৰখনত তোলপাৰ লগাইছে। এদিন ৰাতি অবিনাশে ছদ্মবেশে আহি মাঁকৰ ওচৰত উপস্থিত হ'ল আৰু সমস্ত ঘটনা সমূলি বিবৰণ কৰিলে। অবিনাশক দেখা পাই মাঁকে জীৱ ঘূৰাই পালে। আৰু নিজৰ লক্ষ্যত অৱতীৰ্ণ হোৱাৰ বাবে মাঁকৰ পৰা আশীৰ্বাদ লৈ বিদায় মাগিলে। চহৰখন বৰ্তমান অবিনাশৰ বাবে নিৰাপদ নহয়, নিৰাপদ স্থান বিচাৰি অবিনাশে অনুসন্ধান আৰম্ভ কৰিলে। অজয় এজন অবিনাশৰ বাল্যকালৰ বন্ধু । বৰ্তমান অজয় চহৰখনত অৱস্থিত চৰকাৰী মানসিক চিকিৎসালয়ৰ কয়দী । অজয়ৰ ভাল ব্যৱহাৰৰ বাবে চিকিৎসালয় খনৰ কিছুমান চোৰাচিতাৰ কাম অজয়ে চাই । অবিনাশে অজয়ৰ পৰা সহায় বিচাৰিলে আৰু অজয়ে সহায় কৰিবলৈ মান্তি হ'ল। অজয়ৰ সহায়ত অবিনাশে পাগলৰ ভেশত চিকিৎসালয় খনত আশ্ৰয় পালে । আৰু আগন্তুক দিনৰ পৰিকল্পনা সি চিকিৎসালয় খনত আৰম্ভ কৰি দিলে । পৰশুৰাম চৌধুৰীৰ গুণ্ডাবোৰৰ নজৰৰ পৰা আঁতৰত থাকি অবিনাশে তাৰ শত্ৰুবোৰৰ ওপৰত নজৰ ৰখা আৰম্ভ কৰি দিলে । যিহেতুকে অজয় চিকিৎসালয়খনৰ তলা খোলামেলা কৰাৰ দায়িত্বত আছিল গতিকে সি ৰাতি বাহিৰত ওলাই আৰু ৰাতিপুৱা হোৱাৰ আগতে সি আকৌ চিকিৎসালয়খনত প্ৰৱেশ কৰে । এনেকৈ কিছুদিন অতিবাহিত হোৱাৰ পাছত অনুসন্ধান কৰি অবিনাশে জ্ঞাত হ'ল যে অবিনাশৰ দেউতাকৰ হাতত পৰশুৰাম চৌধুৰীৰ কেলেংকাৰী বহু তথ্য প্ৰমাণ হিচাপে মজুত কৰি ৰাখিছিল যাৰবাবে বন্দীতা পৰশুৰাম চৌধুৰীৰ গুণ্ডা বাহিনীৰ এগৰাকী সদস্য আছিল আৰু তাইক এক ষড়যন্ত্ৰ ৰচনা কৰি অবিনাশ হতৰ ঘৰৰ লগত ঘনিষ্ঠতা বঢ়াবলৈ নিক্ষেপ কৰা হৈছিল । কিন্তু তাই সত্যব্ৰত বৰুৱাৰ পৰা তথ্য সংগ্ৰহ কৰিবলৈ বিফল হৈছিল আৰু এদিন সত্যব্ৰত বৰুৱাৰ তাইৰ ওপৰত সন্দেহ উপজাত চক্ৰান্তৰ জৰিয়তে সত্যব্ৰত বৰুৱাক হত্যা কৰা হৈছিল । আৰু এই সমস্ত কেলেংকাৰী, ঘটনা আৰু পৰিঘটনাৰ মাষ্টাৰমাইণ্ড দেশদ্ৰোহী, জাতিদ্ৰোহী, সমাজবিৰোধী ভ্ৰষ্ট নেতা চক্ৰধৰ চলিহা । আগন্তুক নিৰ্বাচনৰ মুখ্যমন্ত্ৰী পদৰ সাম্ভাব্য প্ৰাৰ্থী । চক্ৰধৰ চলিহাৰ চকু মুখ্যমন্ত্ৰীৰ গাদীত আৰু অজস্ৰ ক্ষমতাৰ গৰাকী হোৱাৰ সপোন । ৰাজনীতি আৰু কূটনীতিত প্ৰবল প্ৰতাপী চক্ৰধৰ চলিহাৰ সোহাঁত হ'ল পৰশুৰাম চৌধুৰী। ৰাইজক মিছা সপোন দেখুৱাই, মিছা প্ৰতিশ্ৰুতিৰে ভোট সংগ্ৰহ কৰি ৰজাৰ গাদীত বহি চহৰৰ খনৰ লগতে সমগ্ৰ ৰাজ্য ভ্ৰষ্টাচাৰ, দুৰ্নীতি, নিচাহৰ ৰম্যভূমি কৰি তুলিবলৈ উঠিপৰি লাগিছে । এইফালে ৰাইজ মিছা সপোন, মিছা প্ৰতিশ্ৰুতিৰ মায়াৰ লয়লাসত আৱদ্ধ । অবিনাশৰ সংকল্প এই যুঁজ কেৱল মোৰ ব্যক্তিগত হৈ থকা নাই, এই যুঁজ প্ৰত্যেক সেইজন অবিনাশৰ বাবে যিয়ে এই দেশত শান্তিৰে উশাহনিশাহ লবলৈ পাৰে। নাই নাই মই কেতিয়াও পৰাজিত হব নোৱাৰোঁ । আজি দেশৰ ভৱিষ্যত সংকটত পৰিছে, এই মানৱৰূপী অসুৰবোৰক মই নিশেষ নকৰালৈকে মই মৰিব নোৱাৰোঁ ।

আগলৈ...

# দীপাৱলী

বিশ্বজিৎ বৈশ্য
বংশৰ,গুৱালকুছি

দীপাৱলী মানে হল পোহৰৰ উৎসৱ। প্ৰতিবছৰে শৰৎ কালত পালন কৰা হয় দীপাৱলী। এই উৎসৱে আমাৰ আনন্দৰ লগতে পোহৰেৰে আলোকিত কৰে। এই উৎসৱটো অতিকৈ জনপ্ৰিয় কিয়নো দীপাৱলীৰ সময়ত সকলোৰে ঘৰ-দুৱাৰ, দোকান-পোহাৰ, কাৰ্যালয়, মন্দিৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আদি সকলোবোৰ সুন্দৰকৈ সজাই তোলা হয়। সেইদিনা সকলোৱে ঘৰৰ বাহিৰে ভিতৰে মিঠাতেলৰ মাটিৰ চাকি, মমৰ লগতে বৈদ্যুতিক মাধ্যমেৰ কাৰুকাৰ্য কৰি সজায়। ফুলজাৰি, বোমা, ফটকা আদি ফুটাই আনন্দ কৰাই দীপাৱলী অন্যতম বৈশিষ্ট্য। আমাৰ সকলোৱে ঘৰে ঘৰে ধুনীয়াকৈ ৰংগোলী বনাইও দেৱালীৰ দিনা আনন্দ লাভ কৰো। আকাশখন



বিভিন্ন ৰঙেৰে পোহৰাই তোলে। কমাৰ সকলৰ হাতৰ পৰশত প্ৰাণ পাই উঠে মাটিৰ চাকি। আৰু এই মাটিৰ চাকিৰ পোহৰত জিলিকি উঠে ঘৰৰ চৌপাশ। সময়ৰ গতিত সলনি হয় মানুহৰ মন, আৰু এই আকাশত জ্বলা নানাৰঙি ৰংবোৰে আনে এক পোহৰৰ পণ। সেই পোহৰে সকলোকে পোহৰাই তুলি আনে এক সুকীয়া মাদকতা।

# দীপাৱলী



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

"ধৰ্মক ৰাখিবা অধৰ্ম নাশি"

প্ৰতিটো উৎসৱৰে এক সুকীয়া বৈশিষ্ট্য আছে। ধৰ্মীয়গ্ৰন্থ আদিতো উল্লেখ আছে, মূলতে ইয়াৰ আৰত লুকাই আছে ভাতৃত্ব বোধৰ চানেকী আৰু অশুভ শক্তি নাশ কৰা।

দীপাৱলী অৰ্থ পোহৰ মানে আলোক এক অস্তিত্বৰ সমাহাৰ। কিছুমান ঠাইত দেৱালী বুলিও কয়। আন্ধাৰ নাশ কৰি ধৰাত পোহৰেৰে আলোকিত কৰা অৰ্থাৎ দুষ্টক দমন কৰি শান্তি স্থাপনৰ এক শীতল সংগ্ৰাম। ৰামচন্দ্ৰই ৰাৱনক বধ কৰি অযোধ্যাৰ আগমনৰ কাহিনীয়েই হওঁক বা শ্ৰী কৃষ্ণই কংসক বধ কৰা ইত্যাদিৰ মূল হ'ল অশুভ শক্তিৰ ওপৰত শান্তিৰ বিজয়ৰ হৰ্ষোল্লাস। সেই কাৰণে এই উৎসৱ ভাৰত বৰ্ষৰ বাহিৰেও বিভিন্ন দেশতো পালন কৰা দেখা যায়।

দীপাৱলী বা দেৱালী উৎসৱত কিছুমান ঠাইত লক্ষ্মী পূজা আৰু কিছুমান ঠাইত কালি পূজাও হয়। পোহৰৰ এই আলোকৰ লগত আমাৰ আৰাধ্য দেৱ-দেৱীৰ লগতে ঘৰৰ গৃহিনী জনীকো লখীমিৰ এক স্থান আছে। উৎসৱ আদিত পৰিয়ালৰ লোক সকল, ওচৰ চুবুৰীয়াৰ সৈতে উপহাৰ আৰু মিঠাইৰ আদান -প্ৰদানৰ জৰিয়তে ৰক্ষা হয় একতাৰ বান্ধোন। কিন্তু শব্দৰ প্ৰদূষণ কৰা আতচবাজী প্ৰদৰ্শনৰ পৰা বিৰতি থাকিব লাগে। শব্দৰ প্ৰদূষণ পৰা হৃদয় ৰোগী আৰু নৱজাতক শিশুসকলে ভয় খাব পাৰে ইয়াৰ লগতে বায়ু প্ৰদূষণ যথেষ্ট হয়। মাটিৰ চাকি, ৰঙ বিৰঙৰ লাইট ফুলজাৰি ইত্যাদিৰে শান্তিপূৰ্ণ ভাৱে পৰিয়ালৰ সৈতে দীপাৱলী পালন কৰিব পাৰি।

আমাৰ গাঁওতো বৰ্তমান এই উৎসৱত আটচ -বাজিৰ সলনি ৰং -বিৰঙৰ চাকি, ৰংগুলীৰ ওপৰত প্ৰাধান্য দিয়ে। কাতি মাহৰ এই অমাৱশ্যাৰ অমানিশাক নাশ কৰি আলোকৰ এক সুন্দৰ বাতাবৰণৰ সৃষ্টিৰ অৰ্থই হ'ল দীপাৱলী। দীপাৱলীয়ে সকলো লৈকে কঢ়িয়াই আনক সুখ সমৃদ্ধ ভাৱে কামনা কৰিলো।

# উপহাৰ


**সত্যজিৎ গগৈ, বামুণী গাওঁ**



ভাল লগাবোৰ ভালপোৱালৈ সলনি কৰি
যুদ্ধৰ শেষত তেওঁ মোক এপাহ ফুল দিছিল
ৰঙা ফুলপাহৰ পাহিবোৰত উলমি আছিল
এপিয়লা সুখ
এপিয়লা দুখ
এপিয়লা বিষাদ
আৰু এপিয়লা প্ৰেমৰ মদিৰা।
যুদ্ধ জয়ৰ আখৰাত থাকোতে
তেওঁ মোলৈ এখন চিঠি লিখিছিল
ৰঙা তেজৰ জীয়া চিঠি
তাত উল্লেখ আছিল মৰি মৰি জীয়াই থকাৰ
শেষ উপহাৰৰ কথা আৰু
এটা গৰম চুমাৰ কথা।
পথাৰৰ মাটিখিনিত সপোন এটাক শুৱলৈ দি
সেউজীয়া ওখ পাহাৰটোত বহি
কাণে কাণে কৈছিল মাতৃভাষাৰ অপমৃত্যুৰ কথা
শিল ভাঙি থকাৰ পৰা কোনোবাই চিএঞৰিছিল
লাহে লাহে শেষ হৈ যাব খোজা
মোৰ শেষ উপহাৰৰ শেষ সময়খিনিৰ কথা।

# চিকাৰ

**মুন শৰ্মা, লখিমপুৰ**



আজি এটা আছে মই বিচাৰোঁ তই ল।

:-না বছ, আজি নোৱাৰিম, আজি বেলেগ চুপাৰি আছে মোৰ। আজি খতম কৰি বহু দিনৰ পৰা তাৰ পাছত পৰি আছে পৰা নাই আজিৰ সুযোগ হেৰাব দিব নোৱাৰিম।

হ'ব ঠিক আছে যা নেকেষ্ট টোক লাগিব দেই বেলেগ লগত নহ'ব কিন্তু মোৰ লগত থাকিব লাগিব।

অকেই বছ..

ৰুমৰ পৰা ওলাই আহি বৃহৎ চোতাল খনত থিয় হৈ বিৰাট প্ৰসাদটো চালে। সি মনত ভাবিলে কোনো দিন উভতি আহিব নোৱাৰিম ইয়ালৈ। ভাবি ভাবি লক্ষ্য দিশে গতি কৰিলে সি। বহু কথাই মনলৈ আহিছে তাৰ কোনো দিন ভবা নাছিল মানুহ জন এনেকুৱা বুলি। প্ৰথমে কথা বোৰ বিশ্বাস হোৱা নাছিল লাহে লাহে প্ৰমাণ পায় বিশ্বাস কৰিব বাধ্য হ'ল।

তেতিয়া সি আঠ মহীয়া শিশু আছিল, আগতে জানিছিল তাক মাক দেউতাকে এৰি গুচিল গ'ল আৰু এই ভগৱান স্বৰূপ মানুহ জনে তুলি তালি ডাঙৰ কৰিলে। কিন্তু সময়ৰ গতিত সকলো মিছা প্ৰমাণ হ'ল। সেই মানুহ জনে তাৰ মাক দেউতাকক হত্যা কৰি তাক উঠাই আনিছিল।

এদিন দুদিন কৈ ডাঙৰ হ'ল এটা চুপাৰি পায় এদিন মাইবং ফৰেষ্ট লৈ আহিল তাতেই গম পাইছিল আচল সত্য। মানুহ জনক চিনি পায় প্ৰতি কামত তাৰেই সহায়। ভিতৰুৱা কথা পৰ্যন্ত গম পায়, কিন্তু গম পোৱা নাছিল এই দুইনম্বৰী কাৰবাৰৰ কথা।

সন্ধ্যা লাগিল আহি পাওঁতে আৰু অলপ সময় মাত্ৰ বাকী চিকাৰ কৰিবলৈ। বন্দুকটো উলিয়াই ললে। কিছু সময়লৈ হাত দুখন কপিছিল কিন্তু নিজক সংযম কৰি আগুৱাই গৈ সেই বিশেষ ঠাইত ৰৈ থাকিল মানুহ জন অহালৈ।

দুৱাৰ খন ধপ কৈ খুলি সোমাই আহিল মানুহ জন। সিফালে সি আকৌ সেই ঠাইত আগৰ পৰাই ৰৈ থকাৰ পৰা মাত লগতে বছ, মানুহ জনে ঘূৰি চাই আচৰিত হৈ সুধিলে আৰে ৰাতুল, ইয়াত কি কৰি আছ, মানুহ টোক যে মাৰিব আহিছিলি খতম কৰিলি নেকি!

-নাই বছ এতিয়া খতম কৰিম।

-যা' আক তেন্তে ইয়াত কি কৰি আছ।

-নাযাও চিকাৰ যেতিয়া ইয়াতে আছে চিকাৰী আঁতৰি কিয় যাব!

-মানে!

-মানে- বছ আপুনি আজি মোৰ চিকাৰ হ'ব, হা, হা, হা।

-তোৰ ইমান সাহস মোক ভাবুকি দিবলৈ, না বছ ভাবুকি নহয় আজি আপুনি খতম।


-কিয়! বহুত কথা বছ, চমুকৈ কওঁ তাৰ আগেই আপোনাক সুধিম মোৰ মা দেউতা কি হ'ল মোক এৰি গ'ল নে আপুনি মাৰিলে।

বছ ৰ কঁপনি উঠিল আচল কথা সি জানিল নেকি! ভাবি আছে তেওঁ একো কোৱা নাই।

-কি হল কোৱা নাই যে মই কওঁ শুনক, আপুনি মাৰিলে, মোৰেই নহয় আপোনাৰ তাত মাউৰা যিমান ডেকা আছে সকলোৰে মাৰিলে মানৱ শৰীৰৰ অংশ বিক্ৰী কৰিব বাবে এই জঙ্গলত মানুহ এটা সময়ত জীয়াই জীয়াই মাৰিছিল। কি কি কৰা নাই আপুনি বছ, মানুহ, জন্তু, গছ গছনি সকলো শেষ কৰি দিলে ইয়াত ধনী হোৱা বাসনাত কিমান নিষ্ঠুৰ আপুনি কিমান পাপী হা বছ। বাহিৰত ঈশ্বৰৰ ৰূপ লৈ ভিতৰত অসুৰৰ দৰে কাম কৰিব আপোনাৰ অকণো লাজ লগা নাছিল নে! আৰু কি বেয়া মানুহ বোৰত হত্যা কৰিব আমাক কৈ কৈ মানুহ হত্যা পাপ আপুনি কিয় কৰিলে বছ। গতিকে মৰি যাওঁক আপুনি এই জগতত আপোনাৰ দৰে মানুহ থাকিলে কোনো দিন একো ভাল নহয়, আমাৰ ভালৰ বাবে আপোনাক হত্যা কৰিব আপোনাক আজি মই বাধ্য। কথা খিনি কৈয়েই দুই জাই গুলি তেওঁৰ বুকুত বহুৱাই দিলে ৰাতুলে।

# দুখৰ জোৱাৰ

**হীৰক কলিতা, নলবাৰী**



বাটবোৰত কাঁইটে
বিন্ধিছে আশাবোৰ
কুঁৱলীত হেৰাইছে
নেদেখা নদীৰ
সিপাৰে বিষাদৰ
নৈ খন বৈ আছে
ইপাৰে যেন হৃদয়ৰ
পাৰে পাৰে দুখৰ
জোৱাৰ উঠিছে...।

# কলীয়া ডাৱৰৰ মাজত ৰূপোৱালী আভা



**মুনিন্দ্ৰ বৈশ্য, ওদালগুৰি**

এগৰাকী আৰক্ষী বিষয়াৰ বিৰুদ্ধে উত্থাপন হ'ল এটা ধৰ্ষণৰ অভিযোগ। ৰক্ষকেই যেতিয়া ভক্ষক হৈ পৰে, ঘটনাটো তেতিয়া সৰ্বত্ৰ চৰ্চাৰ বিষয় হৈ পৰাটোৱে স্বাভাৱিক। আৰক্ষী বিষয়াজনৰ বিৰুদ্ধে বাতৰি পৰিৱেশন কৰি সংবাদ মাধ্যমে নিজৰ দায়িত্ব পালন কৰিলে। গাঁৱে-ভূঞে খবৰটো বিয়পি পৰিল। কেচটো গৈ আদালতৰ মজিয়া পালে, বিচাৰ চলিল আৰু ধৰ্ষণৰ অভিযোগত অভিযুক্ত আৰক্ষী বিষয়াজনক মহামান্য আদালতে দোষী সাব্যস্ত কৰি ৰায় দিলে।

এইটো একো ব্যতিক্ৰমী ঘটনা নহয়। এগৰাকী মহিলাক ধৰ্ষণ কৰা হৈছে, তাক লৈ সংবাদ মাধ্যমে বাতৰি পৰিৱেশন কৰিছে, কথাটো গম পাইসকলো নিজা নিজা ভাষাৰে প্ৰতিবাদত মুখৰ হৈছে, বিচাৰ চলিছে আৰু বিচৰাৰ অন্তত অভিযুক্তজনে যথাযোগ্য শাস্তি পাইছে। ইমানলৈকে সব ঠিকেইআছিল।কিন্তু ঘটনাটোৰ অন্তৰালত নিহিত থকা যিটো অত্যন্ত গুৰুত্বপূৰ্ণ কথা সৰ্বসাধাৰণ ৰাইজ তথা দেশৰ সমগ্ৰ জনতাই জনাটো দৰকাৰ আছিল, যিটো কথা গম পোৱা হ'লে এটা মূল্যৱান বাৰ্তা দেশৰ জনতাই লাভ কৰিলেহেঁতেন, তাক বহুল প্ৰচাৰৰ ক্ষেত্ৰত সংবাদ মাধ্যম আছিল নিৰ্লিপ্ত। ঘটনাটোৰ গুৰুত্বও তাতেই।

ঘটনাটো আছিল তেজপুৰৰ (তেতিয়া আজিৰ দৰে প্ৰচাৰ মাধ্যমৰ প্ৰয়োভৱ নাছিল)। অভিযুক্ত আৰক্ষী বিষয়াজনক দোষী সাব্যস্ত কৰাত যিগৰাকী আৰক্ষী বিষয়াই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল তেওঁৰ নাম প্ৰয়াত পুতুল বৰা। মন কৰিবলগীয়া কথাটো হৈছে পুতুল বৰা আছিল ধৰ্ষণকাৰী আৰক্ষী বিষয়াগৰাকীৰ সহকৰ্মী। এগৰাকী সহকৰ্মীৰ বিৰুদ্ধে উত্থাপিত ধৰ্ষণৰ দৰে গুৰুতৰ অভিযোগ এটা অনুসন্ধান কৰাটো কিমান জটিল কাম সি সহজে অনুমেয়। এফালে মানৱীয়তা আনফালে বন্ধুত্ব। এফালে নাৰীগৰাকীৰ সন্মানৰ প্ৰশ্ন আনফালে সহকৰ্মীজনৰ চাকৰিৰ প্ৰশ্ন। কিমান মানসিক অন্তৰ্দ্বন্দ্বত তেওঁ ভুগিছিল সেয়া পুতুল বৰাৰ বাহিৰে আন কোনে বুজিব! কিন্তু পুতুল বৰাই প্ৰাধান্য দিছিল মানৱতাক। ঘটনাটো অনুসন্ধান কৰি পুতুল বৰাই অভিযুক্ত সহকৰ্মী বিষয়াজনক শাস্তি প্ৰদান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। নিষ্ঠা আৰু সততাৰ এটা উৎকৃষ্ট উদাহৰণ। পুতুল বৰাৰ দৰে এগৰাকী সৎ বিষয়াৰ এনে কৰ্তব্যনিষ্ঠাত অভিভূত হৈ স্বয়ং ন্যায়াধীশ গৰাকীয়ে ৰায়দানৰ অন্তত কৈছিল "আমাৰ মাজত এতিয়াও এনে বহুত আৰক্ষীবিষয়া আছে যিয়ে অত্যন্ত নিষ্ঠা আৰু সততাৰে দায়িত্ব পালন কৰি আছে। কিন্তু প্ৰচাৰ মাধ্যমে তেওঁলোকৰ বিষয়ে, তেওঁলোকে কৰা ভাল কামৰ বিষয়ে বাতৰি পৰিৱেশন কৰা আমাৰ চকুত নপৰে; অথচ যিবোৰ কথা বেছিকৈহে প্ৰচাৰ হ'ব লাগে। যিদৰে কলীয়া ডাৱৰৰ মাজতো ৰূপোৱালী আভা থাকে, সেইদৰে বেয়া মানুহৰ মাজতো ভাল মানুহ থাকে। গতিকে সেই ভাল মানুহবিলাকক সমাজখনে স্বীকৃতি দিয়াটো দৰকাৰ।"

প্ৰসংগটো মনলৈ আহিল এইবাবেই গুৱাহাটী বিশ্ববিদ্যালয়ত সদ্যসমাপ্ত নিৰ্বাচনকেন্দ্ৰিক হিংসা আৰু মাৰপিটৰ ঘটনা লানিৰ বাবে বহুতেই আঙুলি টোঁৱাইছে বিশ্ববিদ্যালয়খনৰ ছাত্ৰাবাসৰ প্ৰাক্তন আবাসীসকললৈ। আনকি ঘটনাটোৰ পিছত অধিক চৰ্চা লৈ অহা বিষয়টোৱেই হৈছে ছাত্ৰাবাসৰ প্ৰাক্তন আবাসীসকল। স্বয়ং মুখ্যমন্ত্ৰীয়েও এই বিষয়ত মন্তব্য কৰি কৈছে যে, এতিয়াৰে পৰা হোষ্টেলত প্ৰাক্তন ছাত্ৰসকলে গৈ আড্ডা দিয়া বন্ধ কৰিব লাগিব। বিশ্ববিদ্যালয়ৰ হোষ্টেললৈ চুপাৰ চিনিয়ৰৰ সঘন অহা-যোৱা মানি ল'ব নোৱাৰি। অনুষ্ঠান নাথাকিলে হোষ্টেল লৈ চুপাৰচিনিয়ৰ আহি ভাত খোৱা, আড্ডা মৰা বন্ধ কৰিব লাগিব। এই ক্ষেত্ৰত দৰকাৰ হ'লে উপাচাৰ্যই সৰ্বোচ্চ ত্যাগ কৰিব লাগিব বুলিও তেওঁ মন্তব্য কৰিছে। আনকি লেখক-সাহিত্যিককে ধৰি সৰ্বসাধাৰণেও সামাজিক মাধ্যমত অনুৰূপ মন্তব্য কৰি প্ৰাক্তন আবাসী আৰু চুপাৰ চিনিয়ৰসকলৰ বিৰুদ্ধে সৰৱ হোৱা দেখা গৈছে। সংবাদ মধ্যেমেও এই বাতৰিসমূহ বহুল প্ৰচাৰ কৰিছে। ইয়াৰ পৰা এই কথাই স্পষ্ট হৈছে যে শিক্ষানুষ্ঠানখনত সংঘটিত পূৰ্বক্ত ঘটনাৰ বাবে যেন প্ৰাক্তন আবাসীসকলহে দায়ী। এনে এটা ধাৰণা সাধাৰণ জনতাৰ মনত নিগাজি কৰি দিবলৈ যেন এক (অ) প্ৰচাৰ চলোৱা হৈছে। পিছে ইয়াক আমি সৰলীকৰণ কৰিব নোৱাৰোঁ। কিয় নোৱাৰোঁ তাৰ এটা সৰু অথচ গুৰুত্বপূৰ্ণ উদাহৰণ দাঙি ধৰিছোঁ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসসমূহৰ ভিতৰত হৈছে AT-4, সম্পূৰ্ণ নাম Assam Type-4 (অসম আৰ্হিৰ ৪ নম্বৰ ছাত্ৰাবাস) যিপিছলৈ 'লক্ষ্মীনাথ বেজবৰুৱা অসম আৰ্হি ৪ নম্বৰ ছাত্ৰাবাস' নামেৰে নামকৰণ হয়। বিশ্ববিদ্যালয়ত AT-4 ছাত্ৰাবাসৰ এটা গৰিমা আছে, আছে এটা সুকীয়া পৰম্পৰা আৰু বৈশিষ্ট্য। বিশেষকৈ মই জনাত সেইটো ছাত্ৰাবাসত কেতিয়াও ৰেগিং নহয়। ১৯৬১ চনত আৰম্ভ হোৱা এই ছাত্ৰাবাসৰ বৰ্তমান আবাসী, প্ৰাক্তন আবাসী আৰু চুপাৰ চিনিয়ৰকে ধৰি প্ৰায় তিনি শতাধিক সদস্য ভুক্ত এটা হোৱাটছ এপ গ্ৰুপ আছে, যিটো গ্ৰুপে বহুতো গঠনমূলক কাম নিৰৱে কৰি আহিছে। এই হোৱাটছ এপ গ্ৰুপটোৱেই সতীৰ্থ সন্মিলন অনুষ্ঠিত হৈছিল যোৱা ২৮ ছেপ্টেম্বৰ তাৰিখে। তাত অংশগ্ৰহণ

( নপৃষ্ঠাত চাওক)


# ভোকাতুৰ সি ডাষ্টবিনৰ সন্তান



**জ্যোতিস্মিতা বৰা,মধুপুৰ,যোৰহাট**

জীৱন দগ্ধ বাসনাৰ নিষ্ঠুৰ হৃদয়
জ্বলন্ত অগ্নি শিখাৰে গঢ়া,
মগজু বিসংগতি সম জীয়া শিলৰ হৃদয়
সন্তানক কৰিলে ডাষ্টবিনৰ আৱৰ্জনা।
হায় মানৱতাহীন জীৱ?
তহঁতেতো আছিলি কাৰোবাৰ
স্নেহৰ পাপৰি!
কি ভুল কৰিলে এই পুষ্প দেৱলতাই
লেলিহান শিখাত পেলালি
বুকু উদং কৰি।
তহঁতৰ এই বৃহৎ বঙলাত
এটুকুৰা ঠাইৰ অভাৱ,
বিহুলতাৰ অন্তিম তাৰণাত।
আজি সি ভোকাতুৰ হৈ পৰি ৰৈছে,
বিচাৰিছে কোমল আশ্ৰয়,
চাদৰৰ আঁচলত মূৰ ঢাকি শুৱাৰ
প্ৰবল ইচ্ছা আছিল তাৰ হৃদয়ত।
বৰষুণজাকৰ লগে লগে দৌৰিছে সি
পিছে পিছে এজাক বলিয়া কুকুৰ..
চিন্তা নাই, সন্ধ্যা হ'লেই জিৰাব সি
কৃষ্ণচুড়াৰ বুকুত।
ক'ৰবাৰ পৰা ভাঁহি আহে
নৰখাদকৰ খিলখিল হাঁহি,
ডাষ্টবিনৰ পুত্ৰক পাগল হোৱা দেখি
সিহঁতে লভিছে জীৱন্তে শান্তি!
হায় শান্তি ক'ত!
আদিমতাৰ ধোঁৱা চাওত,
নে আধুনিকতাৰ কৰাল গ্ৰাসত?
আশ্ৰয় দেখোন সি আজিও নাপালে,
ইষ্টান্তিকতাই পৰিধি হেৰুৱালে।
হয় বৰষুণে নেখেদিলে
দোকানখনৰ সন্মুখত ৰওঁতে,
কিন্তু মানুহৰ মুখৰ জুইবোৰ উফৰি আহিলে,
তিতি থকা শৰীৰ ভস্ম কৰিবৰ বাবেও
সেই জুই যথেষ্ট আছিলে..!
বাটৰ কাষৰ ডাষ্টবিনটোলৈ
ভোকাতুৰ হৈ দৌৰি গ'ল
শেষ হৈ গ'ল,
গাড়ীখন তীব্ৰ গতিৰেই পাৰ হৈ গ'ল
বিভীষিকাৰ গ্লানিও অন্ত হ'ল।
শুনা পালে সি পৰম মঙ্গলময় শব্দ
জীৱন আশ্ৰয়,
স্বৰ্গৰ পাৰিজাত যেন হৈ ফুলি ৰয়,
আত্মাও আজি ভোকাতুৰহৈ সেই
ডাষ্টবিনৰ ওচৰতে ৰয়।

# গ্ৰন্থমেলা আৰু গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা



**ঝৰ্ণালী শৰ্মা বৰকটকী**
**তেজপুৰ বিশ্ববিদ্যালয় চৌহদ**

গ্ৰন্থ হ'ল মানুহৰ জ্ঞানৰ আহিলা। বৰ্তমান বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ যুগত বিভিন্ন আহিলাৰে জ্ঞান অন্বেষণ কৰাৰ সুযোগ লাভ কৰিব পাৰে। কিন্তু এই জ্ঞান অৰ্জনৰ ক্ষেত্ৰত সাৰ্বজনীন মাধ্যমবোৰৰ ভিতৰত অন্যতম মাধ্যম হ'ল গ্ৰন্থ। গতিকে গ্ৰন্থ হৈছে আমাৰ বাবে প্ৰথম আৰু প্ৰধান সমল, যাৰ সহায়ত আমি আমাৰ মগজুৰ জ্ঞানৰ মাত্ৰা বঢ়াব পাৰো। গ্ৰন্থ অধ্যয়ন অতি পৌৰাণিক শক্তিশালী মাধ্যমো, যাৰ জড়িয়তে অতীতৰ পৰা বৰ্তমানলৈকে জ্ঞান অন্বেষণৰ একমাত্ৰ আহিলা হিচাবে প্ৰমাণিত হৈ আহিছে। মহাকবি বাল্মিকীৰ পৰা বৰ্তমানলৈকে মনীষীসকলে বিভিন্ন দিশত গ্ৰন্থ ৰচনা কৰি প্ৰজ্ঞাৰ বাটেৰে আগুৱাই যাবলৈ আমাক সমল যোগায় আহিছে।

সেয়ে গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ বিষয়ে 'মাৰ্টিন' টুপৰে কৈছিল "কিতাপ মানুহৰ বাবে সৰ্বোত্তম বন্ধু" এয়া একেবাৰে সঁচা কথা এখন গ্ৰন্থহে মানুহক বিফলতাৰ পৰা সফলতাৰ মুখ দেখুৱাই। কিতাপ হ'ল মানুহৰ মানসিক খাদ্য। গতিকে এইক্ষেত্ৰত কিতাপতকৈ ভাল বন্ধু আৰু কোন হ'ব পাৰে।

গ্ৰন্থ হ'ল অমৰ। সকলো শেষ হৈ গ'লেও গ্ৰন্থ এখন শেষ কৰিব নোৱাৰে। সেয়ে 'ৰুছ ভেল্টে' কৈছিল "প্ৰত্যেকে জানে যে কিতাপ এখন জুই লগাই দিলে পুৰি শেষ হৈ যায়। কিন্তু প্ৰকৃত সত্যটো হ'ল যে কিতাপ এখন পুৰি মাৰিব নোৱাৰে। মানুহৰ মৃত্যু হয় কিন্তু কিতাপ হয় অমৰ।"

মুদ্ৰণ যন্ত্ৰ আৱিষ্কাৰে নানান ধৰনৰ গ্ৰন্থৰ প্ৰকাশ হ'ল। এই গ্ৰন্থসমূহ সকলো মানুহে পঢ়িব পৰাকৈ বা গ্ৰন্থসমূহৰ জনপ্ৰিয়তাৰ বাবে সমাজৰ একাংশ চিন্তাশীল ব্যক্তিৰ প্ৰচেষ্টাত গ্ৰন্থমেলা অথবা গ্ৰন্থ প্ৰদৰ্শনীৰ আৰম্ভ হ'ল। কিয়নো গ্ৰন্থ অধ্যয়ন এটি জাতিৰ বৌদ্ধিক উত্তৰণৰ মাপকাঠি হিচাপে বিচাৰ কৰা হয়। ফলশ্ৰুতি হিচাপে আৰম্ভ হ'ল।

বিশ্বৰ প্ৰথমখন গ্ৰন্থ প্ৰদৰ্শনী অনুষ্ঠিত হয় ত্ৰয়োদশ শতিকাত ইউৰোপত। ইয়াৰ পাছতে আমেৰিকাৰ বিভিন্ন ঠাইত গ্ৰন্থ প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। এই প্ৰদৰ্শনীসমূহ একক গ্ৰন্থ প্ৰদৰ্শনী নাছিল, গ্ৰন্থৰ লগতে আন আন সামগ্ৰীৰো প্ৰদৰ্শন কৰা হৈছিল। ১৯২৭ চনত জাৰ্মানীৰ লিপজিগ নামৰ ঠাইত এককভাৱে গ্ৰন্থমেলাৰ শুভ আৰম্ভণি কৰা হৈছিল। এই গ্ৰন্থমেলাক বিশ্বৰ বৌদ্ধিক ইতিহাসৰ এটি স্মৰণীয় ক্ষণ বুলি গণ্য কৰা হয়। ইয়াৰ পাছত ১৯৪৯ চনত অনুষ্ঠিত জাৰ্মানীৰ ফ্ৰাংকফুৰ্ট গ্ৰন্থমেলা আৰম্ভ হয় এইখনেই বিশ্বৰ বৃহত্তম গ্ৰন্থমেলা আছিল।

ভাৰতবৰ্ষত গ্ৰন্থমেলাৰ শুভাৰম্ভ কৰে কলিকতাৰ 'বংগীয় পুস্তক প্ৰকাশক আৰু বিক্ৰেতা সমিতি'য়ে। কলিকতাৰ গ্ৰন্থমেলাৰ পাছত ১৯৬৯ চনত 'নেচনেল বুক ট্ৰাষ্ট অফ ইণ্ডিয়া'ই বোম্বাইত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰথম গ্ৰন্থমেলা অনুষ্ঠিত কৰে। এই বুক ট্ৰাষ্টে ১৯৭৯ চনত নতুন দিল্লীত গ্ৰন্থমেলা অনুষ্ঠিত কৰি গ্ৰন্থক জনমানসৰ আগত জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত সফলতা লাভ কৰিবলৈ সক্ষম হয়। নেচনেল বুক ট্ৰাষ্টে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত গ্ৰন্থ মেলাৰ আয়োজন কৰি লেখক, প্ৰকাশক আৰু পঢ়ুৱৈ সমাজক উৎসাহিত কৰি আহিছে। অসমত প্ৰথমখন গ্ৰন্থমেলা ১৯৭৩ চনত কটন কলেজত অনুষ্ঠিত হয়। এই অনুষ্ঠানত আগভাগ লৈছিল নেচনেল বুক ট্ৰাষ্ট আৰু অসম প্ৰকাশন পৰিষদে। ইয়াৰ পাছত দ্বিতীয়খন গ্ৰন্থমেলা অনুষ্ঠিত হয় নগাঁৱৰ নেহৰুবালিত ১৯৭৮ চনত। ১৯৮৪ চনত অসম প্ৰকাশন পৰিষদে নেচনেল বুক ট্ৰাষ্টৰ সহযোগিতাত গুৱাহাটীৰ জজ খেল পথাৰত বহলভাৱে গ্ৰন্থমেলাৰ আয়োজন কৰে। তদুপৰি ১৯৯৮ চনৰ পৰা গুৱাহাটীত উত্তৰ-পূৱ গ্ৰন্থমেলা অনুষ্ঠিত কৰা হয়। তেতিয়াৰে পৰা এতিয়ালৈকে গ্ৰন্থমেলাই গ্ৰন্থপ্ৰেমীৰ পৰা সুন্দৰ সহযোগীতা পাই আহিছে।

বৰ্তমান ডিজিটেল যুগ

*( নপৃষ্ঠাত চাওক)*

# লিমাৰিক



১)
লগৰীয়াৰ লগত পূজা চাব গলো
বৰষুণে পালেযে মণ্ডপতে সোমালো
বহি চেল্‌ফিকে তুলিলো
ষ্টেট্‌চত দিয়ে দিলোঁ
সকলোৱে চালে কমেণ্ট বহুত পালো।

২)
ঘৰ দুৱাৰ হ'ল, বহুত টকা গ'ল
জীৱনত সুখ বস্তুটো পোৱা নগ'ল
টকাই নহয় শান্তি
কৰাব লাগিব মান্তি
ভাবি চিন্তি থাকোঁতেই জীৱনেই গ'ল।

**বীনা গোস্বামী,শিৱসাগৰ**

১)
আজি ধনৰ অধিষ্ঠিত্ৰী লক্ষ্মীৰ পূজা
পূজা চাই চাই কিমান লাগিব মজা
মহালক্ষ্মী দেৱী আই
আমি আছো বাটে চাই
সকলোতে আজি দেখোন তোমাৰ পূজা ।।

২)
ঘৰে ঘৰে সকলোৱে চাকি জ্বলাইছে
চাকিৰ পোহৰেৰেও উজ্বলি উঠিছে
বাটে বাটে কল পুলি
মনটো হৈছে মুকলি
মুগাৰ সাজেৰে সকলোকে শুৱাইছে ।

**ৰুক্মিণী দাস,শ্ৰীহাটী**

১)
শৰতৰ জোনাক ৰাতি শেৱালি ফুলে
তাৰে গোন্ধই চৌদিশে বিয়পাই দিলে
ৰাতি পুৱা সৰি থাকে
নিয়ঁৰতে তিতি থাকে
ধৰিত্ৰীৰ বুকু শুৱনি কৰি তুলিলে।

২)
কঁহুৱা ফুলবোৰ নৈ পাৰত ফুলিছে
বতাহতে হালি জালি কি কথা পাতিছে
নদী পাৰত ফুলিলো
বাঁহি সুৰত নাচিলো
বাটৰুৱাই দেখিয়েই বৈ বৈ হাঁহিছে।

**অনিমা ভূঞা কাকতি, নগাঁও**

শাকনি বাৰিলৈ গৈ মই আনিলো শাক
মাছ বাচি দি ৰান্ধিবলৈ যে ক'লো মাক
মাছ বোৰ আকৌ গেলা
মায়ে ক'লে মাছ পেলা
মই ক'লো পিয়াঁজ দি ভাজি লগা পাক।
গেলা মাছৰ কাঁইট গুচাই শাকত
দিয়কচোন আপুনি জুইৰ ভাপত
লগত দিব মচলা
অকণমান পচলা
জলকীয়া তেলেৰে উঠিব যে পাকত।

**মামণি পাপৰি বৰুৱা বৰা ,কলিয়াবৰ**

১)
চাকৰি কৰি কিমাননো টকা ঘটিবা
মানুহক কথাৰে যে কিমান খাটিবা
সদায় যে নিব লুটি
নাযাবা আৰু উভতি
নিজৰ ঘৰৰ কামতে মন পুতিবা।

২)
অহঙ্কাৰে কৰে তোমাৰ লক্ষ্য পতন
বুজি শুনি তুমি যে নকৰা অঘটন
সতত থাকিব জোৰ
অসত্যত কৰে ঘুৰ
বেয়া কাম ত্যাগ কৰি কৰা সমাপন।

**উমা দেৱী, মৰিগাঁও**

১)
পূজা চাম বুলি ল'লো বেনাৰসী শাৰী
বগা শাৰীখনত আছিল ৰঙা পাৰি
বিউটি পাৰ্লাত গ'লো
চুলি চুটিকৈ কাটিলো
উজুটি খালো শাৰীখন আছিল ভাৰী।

২)
খোজ কাঢ়ি কাঢ়িয়ে গ'লো পূজা চাবলৈ
বিলাসী গাড়ীও যে নাই উঠি যাবলৈ
স্কুল দিনৰে বান্ধৱী
তাইৰ নাম মাধৱী
লগ পাই দুয়ো গ'লো চিনেমা চাবলৈ ।

**নিৰ্মালি কাকতি , নগাঁও জৰাবাৰী**

# গোলকীয় উষ্ণতা বৃদ্ধিয়ে আমাৰ জীৱনত কিদৰে প্ৰভাৱ বিস্তাৰ কৰিছে ?

দেবৰ্ষি গৌতম, বনগাঁও

পৃথিৱীৰ গোলকীয় উষ্ণতাৰ ভাৰসাম্য অটুট থকাটো পৃথিৱীত বসবাস কৰা যিকোনো স্তৰৰ জীৱকুলৰ বাবে অতিকৈ প্ৰয়োজনীয়। কিন্তু হয়তো বৰ্তমান সময়ত গোলকীয় উষ্ণতাৰ ভাৰসাম্য অন্তত আমাৰ দেশ অথবা ৰাজ্যখনত অটুট থকা যেন অনুভৱ হোৱা নাই। ইতিমধ্যে দেশৰ লগতে ৰাজ্যখনৰো প্ৰায় প্ৰতিটো প্ৰান্তকে সহিব নোৱাৰা গৰমে দহি আছে। দেশ তথা ৰাজ্যখনত অভাৱনীয় হাৰত গৰমৰ প্ৰকোপ বৃদ্ধিৰ ফলত বিভিন্ন সমস্যাৰ সৃষ্টি হোৱা দেখিবলৈ পোৱা গৈছে। খেতিৰ পৰা আৰম্ভ কৰি মানৱ জীৱনৰ দৈনন্দিন কাৰ্য্যলৈকে প্ৰতিটো ক্ষেত্ৰতে ইয়াৰ প্ৰভাৱ প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে পৰা পৰিলক্ষিত হৈছে। সেউজীয়া গছ গছনি অবিহনে যে জীৱকুলৰ জীৱন নিৰ্বাহ কৰাটো এই পৃথিৱীত সম্ভৱ নহয় সেই কথা আমি ভালদৰে জানো। কিন্তু তাৰ পিছতো বিভিন্ন ধৰণৰ নিৰ্মানকাৰ্য কৰাৰ স্বাৰ্থত হিচাপ বিহীনভাৱে সেউজীয়া বননি কাটি তহিলং কৰিছোঁ। কেৱল আৰু কেৱল নিজৰ বাবে কিছু সুবিধা লাভ কৰিবলৈ এই কাৰ্য সমাপন কৰা হৈছে। কিন্তু এনে নহয় যে বৰ্ধিত জনসংখ্যাৰ বাবে এনেধৰণৰ সুবিধা সমূহ আমাৰ বাবে অপ্ৰয়োজনীয়। নিশ্চিতভাৱে এনেধৰণৰ সুবিধাৰ সমূহৰ যথেষ্ট প্ৰয়োজনীয়তা আহি পৰিছে। যিদৰে আমি আমাৰ প্ৰয়োজনীয় সুবিধাসমূহ নিৰ্মান কৰাৰ বাবে প্ৰচেষ্টা হাতত লৈছোঁ ঠিক তেনেদৰে যদি আমি এটা ঠাইত গছ-গছনি কটাৰ বিপৰীতে অন্য এঠাইত সমপৰ্য্যায়ৰ নাইবা অলপ বেছি পৰিমানে গছ-গছনি ৰোপণ কৰাৰ বাবে পদক্ষেপ হাতত লালোহেঁতেন তেনেহলে হয়তো আমি আজিৰ এই পৰিস্থিতিৰ সন্মুখীন হব লগীয়া নহ'লহেঁতেন। উৎকট গৰমৰ প্ৰকোপ সহ্য কৰিব নোৱাৰি দেশৰ লগতে ৰাজ্যখনৰো বিভিন্ন স্থানত বহু লোকৰ মৃত্যু হোৱাৰ খবৰ বিভিন্ন মাধ্যমত প্ৰচাৰ হৈ আছে। আজিৰ সময়ত যিদৰে গছ-গছনিৰ সংখ্যা প্ৰতিদিনে হ্ৰাস হৈ গৈ আছে ঠিক একেদৰে



কিন্তু বিভিন্ন শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰৰ উপৰিও বিভিন্ন ধৰণৰ অত্যাধুনিক যন্ত্ৰ তথা গাড়ী মটৰৰ সংখ্যা বৃদ্ধিয়ে পৰিৱেশৰ উষ্ণতাক সাধাৰণ উষ্ণতাৰ পৰিবৰ্তে যথেষ্ট বৃদ্ধি কৰাত ইন্ধন যোগাইছে। যদি আমি উষ্ণতা বৃদ্ধিৰ ক্ষেত্ৰত এক দীঘলীয়া পৰ্যালোচনা কৰিবলৈ যাওঁ তেনেহলে উপৰোক্ত কাৰণ সমূহৰ উপৰিও আৰু অধিক কাৰণ দেখিবলৈ পাম। প্ৰতি বছৰে গ্ৰীষ্মকালত উষ্ণতা বৃদ্ধিৰ যি হাৰ সেয়া ক্ৰমান্বয়ে বৃদ্ধি হৈ গৈ আছে। যদি এনেদৰে গোলকীয় উষ্ণতা প্ৰতি দিনে বৃদ্ধি হৈ গৈ থাকে তেনেহলে পৃথিৱীত জীৱকুল জীয়াই থকাৰ সম্ভাৱনীয়তা অতি সোনকালে নোহোৱা হোৱাৰ উপক্ৰম হব। আমি দেশ তথা ৰাজ্যখনৰ এগৰাকী শিক্ষিত নাগৰিক হোৱাৰ সুবাদতে গোলকীয় উষ্ণতা বৃদ্ধিৰ ক্ষেত্ৰত লবলগীয়া কিছুমান সাৱধানতা অৱলম্বন কৰাৰ সময় কিন্তু সমাগত। আনে কৰিব বুলি যদি আমি হাত সাবটি বহি থাকোঁ তেনেহলে কিন্তু আমাৰ পিছৰ প্ৰজন্মৰ বাবে এই সমস্যা কিমান ভয়াবহ হব সেয়া হয়তো আমি কল্পনাও কৰিব নোৱাৰিম। আমি নিজে সজাগ আৰু সচেতন হৈ নিজৰ ঘৰখনৰ চৌপাশ যদি সেউজীয়া কৰি ৰাখিবলৈ যত্ন কৰোঁ তেনেহলে হয়তো এনে এটা দিন আহিব যিদিনা অন্য ঠাইৰ তুলনাত আমি গোলকীয় উষ্ণতাৰ বিৰুদ্ধে বিশেষ একো ব্যৱস্থা নোলোৱাকৈয়ে সুন্দৰ ভাৱে জীয়াই থকাৰ এক পৰিৱেশ সৃষ্টি হব। এটা কথা সদায় মনত ৰখা উচিত যে গোলকীয় উষ্ণতা বৃদ্ধিৰ মূল কাৰণ হৈছে মানৱ সমাজৰ দ্বাৰা কৰা কৰ্মৰ ফল। গতিকে এই সমস্যা সমাধানৰ বাবেও কিন্তু মানৱ সমাজে নিজে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অন্যথা আমি এদিন এনে এক পৰিস্থিতিৰ মাজলৈ সোমাই যাম যৰ পৰা ওলাই অহাটো একেবাৰে অসম্ভৱ হৈ পৰিব। কেৱল আপোনাৰ সজাগতা আৰু সচেতনতাৰ দ্বাৰাহে গোলকীয় উষ্ণতা নিয়ন্ত্ৰণ কৰাটো সম্ভৱপৰ হৈ উঠিব। আহক আমি সকলোৱে ব্যক্তিগতভাৱে নিজৰ ঘৰখনৰ চৌপাশ সেউজীয়া কৰি গঢ়ি তুলি এই যাত্ৰাৰ আৰম্ভণি কৰোঁ।

# কলীয়া ডাৱৰৰ মাজত

কৰিছিল বহু সংখ্যক প্ৰাক্তন আবাসী আৰু ৭৪ বছৰীয়া এগৰাকী চুপাৰ চিনিয়ৰেও।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ সদ্য সমাপ্ত নিৰ্বাচনত বিভিন্ন পদবীত জয় লাভ কৰা প্ৰাৰ্থীসকলৰ ভিতৰত এই AT-4 ছাত্ৰাবাসৰো আছিল দুজন প্ৰাৰ্থী। প্ৰসংগক্ৰমে ২৮ ছেপ্টেম্বৰৰ সতীৰ্থ সন্মিলন লৈ তেওঁলোক দুয়োকে নিমন্ত্ৰণ জনোৱা হৈছিল। প্ৰাক্তন আবাসীসকলে তেওঁলোক দুয়োকে সুধিছিল "নিৰ্বাচনত জয় লাভ কৰিলা, এতিয়া তোমালোকৰ প্ৰধান দায়িত্ব কি হ'ব?" দুয়োগৰাকী ছাত্ৰই একেটাই উত্তৰ দিছিল এই বুলি "শিক্ষানুষ্ঠানখনৰ শৈক্ষিক পৰিৱেশ যাতে বিনষ্ট নহয় আৰু বিশেষকৈ আমাৰ ছাত্ৰাবাসত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয়, আৰু AT-4 ৰ পূৰ্বৰ গৰিমা যাতে অক্ষুণ্ণ থাকে তাৰ বাবে আমি চেষ্টা কৰিম।" তেওঁলোকৰ উত্তৰ শুনি চুপাৰ চিনিয়ৰগৰাকীয়ে অভিভাৱকত্বৰ সুৰত সুধিলে "তোমালোকে 'চেষ্টা কৰিম' বুলি কোৱাতকৈ 'প্ৰতিশ্ৰুতি দিলোঁ' বুলি ক'ব নোৱাৰিলা কিয়? আমি এই 'চেষ্টা কৰিম' জাতীয় কথাত বিশ্বাসী নহয়, তোমালোকে আমাক দৃঢ়তাৰে প্ৰতিশ্ৰুতি দিব দিব লাগিব।" চুপাৰ চিনিয়ৰগৰাকীৰ কথাত হয়ভৰ দি উপস্থিত প্ৰাক্তন আবাসীসকলেও একেই দাবী উত্থাপন কৰিলে। তেতিয়া দুয়োগৰাকী ছাত্ৰই সতীৰ্থ সন্মিলনত ৰাজহুৱাভাৱে প্ৰতিশ্ৰুতি দিলে। উল্লেখযোগ্য যে, উক্ত সতীৰ্থ সন্মিলনত উপস্থিত আছিল বিশিষ্ট কবি কৌস্তুভমণি শইকীয়া, ভাৰত চৰকাৰৰ প্ৰাক্তন আয়ুক্ত চিত্তৰঞ্জন কলিতা, বিশিষ্ট গায়ক জীৱেন্দ্ৰ মোহন দেৱশৰ্মা আদি গণ্য মান্য প্ৰাক্তন আবাসীসকল।

কাৰ্যক্ষেত্ৰত তেওঁলোকে খোৱা শপত কাৰ্যকৰী কৰিব পাৰে নে নোৱাৰেবাকৰে নে নকৰে সি পিছৰ কথা; কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ত ঘটি যোৱা ঘটনালানিৰ বাবে আজি সমগ্ৰ ৰাজ্যত প্ৰাক্তন আবাসী আৰু চুপাৰ চিনিয়ৰসকলক যিদৰে দুখী সাব্যস্ত কৰিবলৈ চেষ্টা কৰা হৈছে, বাস্তৱত কিন্তু সেই প্ৰাক্তনআবাসীআৰুচুপাৰচিনিয়ৰসকলৰেই একাংশই বিশ্ববিদ্যালয় আৰু ছাত্ৰাবাসৰ শৈক্ষিক পৰিৱেশ অক্ষুণ্ণ ৰাখিবলৈ কণিষ্ঠ আবাসীক শপত খুৱাইছে। এটা বিৰল ঘটনা। কিন্তু এইটো খবৰ কাৰো চকুত নপৰিল। অথচ এইটো আছিল ৰাজ্যবাসীয়ে জানিবলগীয়া এটা অতি গুৰুত্বপূৰ্ণ খবৰ। যিটো খবৰে হয়তো অকল গুৱাহাটী বিশ্ববিদ্যালয়ৰে নহয়, সমগ্ৰ অসমৰ হাজাৰ হাজাৰ প্ৰাক্তন আবাসীক এৰি থৈ অহা শিক্ষানুষ্ঠান আৰু ছাত্ৰাবাসকেইটাৰ প্ৰতি দায়বদ্ধ কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিলেহেঁতেন। কিন্তু একমাত্ৰ প্ৰচাৰৰ অভাৱৰ বাবেই সেইটো হৈ নুঠিল।

আচলতে কথাটো হয় কি, সমালোচনা কৰাটো মানুহৰ সহজাত প্ৰবৃত্তি। শিক্ষক, আৰক্ষী, চিকিৎসক, ইঞ্জিনিয়াৰ, ঠিকাদাৰ, আমোলা-মন্ত্ৰী সকলোকে আমি বিভিন্ন কাৰণত সমালোচনা কৰোঁ। অকল সমালোচনা কৰাই নহয়এজনে কৰা ভুলৰ বাবে বিষয়টোকে আমি একেবাৰে সৰলীকৰণ কৰি পেলাওঁ। ইয়াতেই আমি আমাৰ দায়িত্ব শেষ বুলি ভাবোঁ। কিন্তু কথাটো তেনেকুৱা নহয়।আমাৰ সমাজত এতিয়াও বহুতেই ভাল কাম কৰি আছে- প্ৰয়াত পুতুল বৰাৰ দৰে, AT-4 ছাত্ৰাবাসৰ প্ৰাক্তন আবাসীসকলৰ দৰে। কিন্তু এইবোৰ ভাল কাম আমি হয় দেখা নাপাওঁ, নহয় আমি চাবলৈ বা জানিবলৈ ইচ্ছা প্ৰকাশ নকৰোঁ। কিন্তু সমাজত এচাম নিৰৱ সাধকে কৰি থকা এইবোৰ গঠনমূলক কামৰ বিষয়ে আমি জনাটো যিদৰে দৰকাৰ সেইদৰে দৰকাৰ সমাজক জনোৱাটো। ভাল কাম কৰোঁতাসকলক আমি কেতিয়াও উপেক্ষা কৰা উচিত নহয়। বৰঞ্চ তেওঁলোকক আমি উৎসাহিত কৰাৰ, শলাগ লোৱাৰ দৰকাৰ। কাৰণ একমাত্ৰ তেওঁলোকৰ বাবেই সমাজখন আজিও মানুহ থকাৰ যোগ্য হৈ আছে। তাকে নকৰিলে ভাল কাম কৰা সকল আমাৰ মাজৰ পৰা হেৰাই যাব আৰু তেতিয়া সমাজখন আৰু বেছি বেয়ালৈ গতি কৰিব।

সেয়ে আমি মনত ৰখা উচিত হাজাৰ বেয়াৰ মাজতো ভাল কাম এতিয়াও হৈ আছে, হাজাৰ প্ৰলোভনৰ মাজতো নিষ্ঠা আৰু সততাৰে কাম কৰা ভাল মানুহ আজিও আমাৰ মাজত আছে- ঠিক মাননীয় জিলা ন্যায়াধীশগৰাকীয়ে কোৱাৰ দৰে, "কলীয়া ডাৱৰৰ মাজতো ৰূপোৱালী আভা থাকে।"

# গ্ৰন্থমেলা আৰু গ্ৰন্থ

হ'লেও গ্ৰন্থৰ প্ৰয়োজনীয়তা আমি নুই কৰিব নোৱাৰোঁ। এই ক্ষেত্ৰত বৰ্তমান সময়ত নৱ-প্ৰজন্মৰ ডাঙৰ সমস্যা হ'ল অধ্যয়নৰ প্ৰতি থকা অনিহা। বৰ্তমান সময়ত ম'বাইলে মানুহৰ জীৱন নিৰ্বাহৰ প্ৰণালীৰ ইমান পৰিবৰ্তন কৰিলে যাৰ ফলস্বৰূপে মানুহৰ ধ্যান ধাৰণা সলনি হবলৈ ধৰিলে। নৱ-প্ৰজন্মৰ গাত ম'বাইলৰ প্ৰভাৱ বাৰুকৈয়ে দেখিবলৈ পোৱা গৈছে। সেই কাৰণে সমাজৰ কিছুসংখ্যক ল'ৰা ছোৱালী বিপথে পৰিচালিত হৈছে। সমাজত দেখা পোৱা কু-সংস্কাৰ, বেমাজালি দূৰ কৰিবলৈ হলে গ্ৰন্থ অধ্যয়ন কৰাটো বৰ্তমান অতিকৈ প্ৰয়োজনীয় হৈ পৰিছে।

নৱ প্ৰজন্মক কুসঙ্গ আৰু কুকৰ্মৰ পৰা ৰক্ষা কৰাৰ ওপৰিও মানসিক অৱসাদৰ পৰা ৰক্ষা কৰিব পাৰিব। অন্যহাতে কিতাপ পঢ়াতো হ'ল আজৰি সময় কটোৱাৰ এটা উত্তম উপায়। বিজ্ঞান প্ৰযুক্তিৰে সমাজ যিমানেই উন্নতি নহওক কিয় যান্ত্ৰিক সমাজ ব্যৱস্থাত কিতাপৰ পাততহে নৱ প্ৰজন্মই বিচাৰি পাব ভৱিষ্যৎ জীৱনৰ বাবে সু-পথৰ সোণোৱালী বাট। গতিকে গ্ৰন্থক আমি প্ৰিয় বন্ধু হিচাবে গ্ৰহণ কৰি সমাজখন এখন গঠনমূলক নিকা সমাজ হিচাবে গঢ়ি তুলিব পাৰোঁ।

# কাৰ্যকৰ্তাৰ এই

দাখিলৰ বাবে নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়লৈ এক সমদল কৰি আহিছিল। এই পথতে ভগামুখত বিজেপিয়ে অনুষ্ঠিত কৰিছিল এখন নিৰ্বাচনী সভা। কংগ্ৰেছৰ সমদলকাৰীসকল বিজেপিৰ সভাস্থলী পোৱাৰ সময়তে দুয়োপেক্ষৰ মাজত প্ৰথমতে কথাৰ কটাকটি হয় আৰু একাংশৰ মাৰপিট লাগে। এই ঘটনাত আহত হয় বাজিয়াগাঁও নিবাসী বিজেপি কৰ্মী বিপুল শইকীয়া। আহত বিপুল শইকীয়া সেইদিনা নিজ ঘৰলৈ আহে যদিও বিছনাতে তেওঁক মৃত অৱস্থাত পোৱা যায়। এই ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ চামগুৰি বিধানসভা সমষ্টিত তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। ঘটনা সংক্ৰান্তত মৃত বিজেপি কৰ্মী বিপুল শইকীয়াৰ জ্যেষ্ঠ ভাতৃ বাবুল শইকীয়াই চামগুৰি থানাত এখন এজাহাৰ দাখিল কৰিছে। ত্যাগক সদায় মনত ৰাখিব।

# গুৱাহাটী কেন্দ্ৰীয়

তাৰ্কিকৰ লগতে অভিজিৎ চন্দ, অম্লান বৰা, শোভনজ্যোতি কুৰ্মী, চন্দন নাথ আৰু ৰঞ্জিত কাকতিকো আদালতত হাজিৰ কৰা হয়। বিশেষ সূত্ৰৰ পৰা জানিব পৰা মতে, যিহেতু আদালতে চুমি বৰাসহ ৮জন অভিযুক্তক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে, গতিকে কাৰাগাৰত চিবিআইৰ দলে এই দুদিন আটাইকেইজনক পৃথকে পৃথকে জেৰা চলাব। সোমবাৰে চিবিআইৰ বিশেষ আদালতত হাজিৰৰ অন্তত যদিহে কেন্দ্ৰীয় সংস্থাটোৱে অধিক দিনৰ জিম্মা লাভ কৰে, তেন্তে গুৱাহাটীৰ চিবিআইৰ কাৰ্যালয়তো চুমি বৰা সহ ৮জনক পৃথকে জেৰা চলাব তদন্তকাৰী বিষয়াই।

# সুদূৰ লণ্ডনত অনুষ্ঠিত

আৰু নতুন প্ৰজন্মৰ বাবে অনুবাদৰ জৰিয়তে পৰিচয় কৰাৰ পোষকতা কৰে। নাম প্ৰসংগত নাগৰা আৰু খোলত ঋষি চৌধুৰী আৰু ভোৰতাল ড° তৰুণ কুমাৰ চৌধুৰী, ভানশ্ৰী মেধি খাঞ্জবীয়ে পাতি তালত সহযোগ কৰে। আনহাতে সন্ধিয়ালৈ এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়, য'ত গুৰুজনাৰ বিভিন্ন সৃষ্টি ৰাজি প্ৰদৰ্শন কৰা হয়। সাংস্কৃতিক অনুষ্ঠানত মুখ্য অতিথি হিচাপে আন্তৰ্জাতিক খ্যাতি সম্পন্ন পদ্মশ্ৰী ইন্দিৰা পি পি বৰা, আৰু তেওঁৰ কন্যা ডাঃ মেনকা পি পি বৰা উপস্থিত থাকে। পদ্মশ্ৰী ইন্দিৰা পি পি বৰাই সুখী, সুস্থ আৰু দীৰ্ঘায়ু জীৱন যাপনৰ ক্ষেত্ৰত শাস্ত্ৰীয় নৃত্যৰ মূল্যৰ ওপৰত চমু ভাষণ প্ৰদান কৰে। ইয়াৰ পিছতে দৰ্শকক আনন্দিত কৰি সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰে। তেওঁৰ কন্যা ড° মেনকা পি পি বৰাইও নৃত্য পৰিবেশন কৰাৰ লগতে এক নৃত্য কৰ্মশালাও অনুষ্ঠিত কৰে। ভবানী কাকতিৰ নেতৃত্বত গুৰুজনাৰ বিষয়ে এটা ক'ৰাছ, বৰগীত আৰু সত্ৰীয়া নৃত্য পৰিবেশনৰ কৰা লগতে চন্দমায়া শৰ্মা আৰু ৯ বছৰীয়া উৰ্বী শৰ্মাই বৰগীত পৰিবেশন কৰি পৰিবেশ মুখৰিত কৰে। অ'ফৰ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰী উন্মোনা দাসে ক্ষত্ৰিয় নৃত্য পৰিৱেশন কৰে। সাংস্কৃতিক অনুষ্ঠানৰ পৰিচালনা কৰে সাংস্কৃতিক সম্পাদক ভবানী কাকতি আৰু গীতুত পালা বৰদলৈয়ে। অনুষ্ঠানৰ শেষত সম্পাদিকা জাহ্নবী গগৈয়ে শলাগৰ শৰাই আগবঢ়াই।

# চিদলী সমষ্টিৰ প্ৰাৰ্থী

সমৰ্থকসকলে আতচবাজীৰে আৱতৰীয় দেৱালীৰ পৰিৱেশ সৃষ্টি কৰাৰ লগতে মিঠাই বিতৰণ কৰি আনন্দ প্ৰকাশ কৰে। নিৰ্মল কুমাৰ ব্ৰহ্মাই সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত সমষ্টিটোত ইতিমধ্যেই বিধায়ক জয়ন্ত বসুমতাৰীয়ে বহুত কাম কৰিছে বুলি মন্তব্য কৰে। লগতে বৰ্তমানৰ সাংসদজনে আৰম্ভ কৰা সকলোবোৰ কাম তেওঁ সম্পূৰ্ণ কৰিব বুলিও মন্তব্য কৰে। সমষ্টিটোৰ ভোটাৰে তেওঁক বিপুল ভোটত জয়ী কৰাব বুলি তেওঁ নিশ্চিত আৰু ৰাইজৰ সেৱাত তেওঁ নিজকে সমৰ্পণ কৰিব বুলিও দৃঢ়মত প্ৰকাশ কৰে। আনহাতে, বিপিএফ দলেও কাজলগাঁওস্থিত জিলা কাৰ্যালয়ত চিদলী সমষ্টিৰ বাবে প্ৰক্ষেপিত দলীয় প্ৰাৰ্থীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। বিপিএফ দলৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে কেন্দ্ৰীয় উপ-সভাপতি শুদ্ধ বসুমতাৰীক চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ দলীয় প্ৰাৰ্থী হিচাপে মনোনীত কৰে। বিপিএফ দলৰ প্ৰক্ষেপিত প্ৰাৰ্থী শুদ্ধ বসুমতাৰীয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয়- মোৰ বিজয় সুনিশ্চিত। কিমান ভোটত জয়লাভ কৰিম সেইটো মই এতিয়াই ক'ব নোৱাৰোঁ। অহংকাৰী মানুহে সেই কথা কয়। মই ব্যৱধান উল্লেখ কৰিলে ভোটাৰ ৰাইজে মোকো অহংকাৰী বুলি ভাবিব। ৰাইজৰ আশীৰ্বাদত মই বিজয়ী হ'ম।

# প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত 'নাক'ৰ পৰিদৰ্শন

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীৰ আগশাৰীৰ শিক্ষানুষ্ঠান মহাবিদ্যালয়ত ২৫ আৰু ২৬ অক্টোবৰত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ পৰিদৰ্শক মণ্ডলীৰ দ্বাৰা তৃতীয় চক্ৰৰ বাবে পৰিদৰ্শন অনুষ্ঠিত হয়। দুদিনীয়া পৰিদৰ্শনত পৰিদৰ্শক দলৰ অধ্যক্ষ হিচাপে ডঃ ৰাজেন্দ্ৰ কুমাৰ শৰ্মা, উপাচাৰ্য জেইপী ইউনিভাৰ্ছিটি অব ইনফৰমেচন টেকনলজি, নইদা; সমন্বয়ক সদস্য হিচাপে ডঃ সুবীৰ বিশ্বাস, প্ৰাধ্যাপক, ৱেষ্ট বেংগল ষ্টেট ইউনিভাৰ্ছিটি, কলকাতা আৰু সদস্য হিচাপে ডঃ অশোক পাণ্ডুৰাং মহাজন, প্ৰগতি কলেজ অব আৰ্টছ এণ্ড কমাৰ্চ, মহাৰাষ্ট্ৰ উপস্থিত থাকে। এই পৰিদৰ্শনত মহাবিদ্যালয়ৰ শিক্ষক আৰু অনা শিক্ষক কৰ্মচাৰীৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন সমিতিৰ মুখ্যৰীৰ সৈতেও মত বিনিময় কৰে। তদুপৰি ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকৰ সৈতে আলোচনাত মিলিত হয়। পৰিদৰ্শক দলৰ সদস্যসকলে মহাবিদ্যালয়খনৰ স্থানীয় আৱাসীৰ সৈতেও মত বিনিময় কৰে আৰু তেওঁলোকে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগ আৰু সা-সুবিধাসমূহৰ মূল্যায়ন কৰে। ছাত্ৰ-ছাত্ৰীসকলে পৰিদৰ্শকমণ্ডলীৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানেৰে পৰিদৰ্শনৰ প্ৰথম দিনটোৰ সামৰণি পৰে। মূল্যায়নৰ দ্বিতীয় দিনৰ আৰম্ভণিতে বিদ্যালয়খনৰ শ্ৰেষ্ঠ কাৰ্যপন্থাসমূহ পৰ্যালোচনা কৰাৰ পিছত সদস্যসকলে তেওঁলোকৰ মূল্যায়ন কাৰ্যসূচীৰ অংশ হিচাপে মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ গুণমান আৰু প্ৰত্যায়ন কোষ (আই. কিউ.এ. চি.)ও পৰিদৰ্শন কৰে। পৰিদৰ্শক মণ্ডলীয়ে সামৰণি সভাত তেওঁলোকৰ অভিজ্ঞতা ব্যক্ত কৰি দুদিনীয়া পৰিদৰ্শন কাৰ্যসূচী সামৰে।

# ঘৰৰ মাটিত নিৰ্লজ্জ

দ্বিতীয়জন অধিনায়ক হিচাপে পৰিগণিত হৈছে। পুনে টেষ্টত নিউজিলেণ্ডে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয় আৰু দলটোৱে প্ৰথম ইনিংছত ২৫৯ ৰান সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতীয় দলে প্ৰথম ইনিংছত মাত্ৰ ১৫৬ ৰানহে সংগ্ৰহ কৰিছিল। ইয়াৰ পিছত নিউজিলেণ্ডে দ্বিতীয় ইনিংছত ২৫৫ ৰান সংগ্ৰহ কৰি ভাৰতীয় দলৰ সন্মুখত ৩৫৯ ৰানৰ কঠিন লক্ষ্য বান্ধি দিয়ে। কিৱিৰ স্পিন বলিং আক্ৰমণৰ সন্মুখত দিশহাৰা হৈ পৰা ভাৰতীয় বেটিং লাইনআপে এই লক্ষ্য অতিক্ৰমত চূড়ান্তৰূপে ব্যৰ্থ হয়। কিৱি দলৰ সন্মুখত একমাত্ৰ ভাৰতীয় বেটাৰৰূপে কিছু প্ৰতিৰোধ গঢ়ি তুলি ৭৭ ৰান সংগ্ৰহ কৰে যশস্বী জয়ছোৱালে। দলৰ আন বেটাৰসকলৰ ব্যৰ্থতাৰ পৰিণতিত ভাৰতে মাত্ৰ ২৪৫ ৰানত দ্বিতীয় ইনিংছ সামৰি ব্বৰ ৰানত পৰাজয় স্বীকাৰ কৰে। ভাৰতীয় দলৰ এই লজ্জাজনক পৰাজয়ৰ মূল কাৰণ হৈ পৰে নিউজিলেণ্ডৰ তাৰকা স্পিনাৰ মিচেল ছাণ্টনাৰ। মেচখনৰ প্ৰথম ইনিংছত ৫৩ ৰানৰ বিনিময়ত ৭টাকৈ উইকেট দখল কৰা ছাণ্টনাৰে দ্বিতীয় ইনিংছতো ৬টা উইকেট দখল কৰে। টেষ্টখনত মুঠ ১৩ টাকৈ উইকেট দখলেৰে ভাৰতৰ মুখৰ পৰা প্ৰায় অকলেই জয় কাঢ়ি নিয়ে ছাণ্টনাৰে।

# মাজুলী জিলা লেখিকা সমাৰোহ

উন্মোচন কৰে জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়াই। তাৰ পিচতে সভাত উপস্থিত থকা সন্মানীয় অতিথি নতুন কমলাবাৰী সত্ৰৰ ডেকা সত্ৰাধিকাৰ সত্যজিৎ মহন্ত, অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, দিবাকৰ শইকীয়া, ৰঞ্জিত কুমাৰ ভুঞা, অৱসৰপ্ৰাপ্ত অধ্যাপিকা আৰতি বৰা, অৱসৰপ্ৰাপ্ত অধ্যাপিকা চেনেহী গগৈ, গড়মূৰ প্ৰেছ ক্লাবৰ সভাপতি উৎপল কাকতি, অৱসৰপ্ৰাপ্ত গ্ৰন্থগাৰীক ইলা শৰ্মা বৰঠাকুৰ, জেষ্ঠ সাংবাদিক যদু কলিতা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী মিনতি শইকীয়া, ভানু নাথ, জিলা সভানেত্ৰী মণিকা মহন্ত গোস্বামী আৰু ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যাপিকা পাৰুল বৰা মিলিয়ে গ্ৰন্থ সমূহ উন্মোচন কৰি লেখিকা সকলক শলাগ লয় আৰু সাহিত্যৰ চৰ্চা অব্যাহত ৰাখিবলৈ আহবান জনায়। সভাত মাজুলীৰ বিধায়ক ভুৱন গাম সন্মানীয় অতিথি হিচাবে উপস্থিত থাকি লেখিকা সমাৰোহৰ প্ৰতিষ্ঠা দিৱসৰ দিনটোত লেখিকা সকলক শুভেচ্ছা জ্ঞাপন কৰি মাতৃ সমাজক এখন সুস্থ সবল সমাজ গঠনত আত্মনিয়োগ কৰিবলৈ আহবান জনায়। সভাৰ শেষত সভানেত্ৰীৰ মন্তব্য আৰু অসম সংগীত পৰিবেশনেৰে সভা ভংগ হয়। ইয়াৰ পূৰ্বে পুৱা জিলাৰ স্থায়ী কাৰ্যালয়ত পৰিবেশ নিকাকৰণৰ পিছত গছপুলি ৰোপণ কৰে গড়মূৰ শাখা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সৰজু দত্ত বৰুৱাই। লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক ড° শীলা বৰঠাকুৰৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি স্মৃতি তৰ্পণ কৰে প্ৰাক্তন কাৰ্যকৰী সদস্যা সাবিত্ৰী বৰাই। পতাকা উত্তোলন কৰে জিলা সভানেত্ৰী মণিকা মহন্ত গোস্বামীয়ে। লেখিকা সমাৰোহৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে প্ৰতিষ্ঠাপক সভানেত্ৰী মিনতি শইকীয়াই।

# ডিব্ৰুগড় বিজ্ঞান সমিতিৰ

পাত্ৰই ডাঃ ফাৰুক আহমেদৰ চিকিৎসক হিচাপে তেখেতৰ কৰ্ম নিষ্ঠাৰ কথা কয়। সভাৰ আৰম্ভনিতে মংগলাচাৰণ কৰে ইৰাণী বৰপূজাৰীয়ে। সমজুৱাৰ ফালৰ পৰা ড° দিলীপ ভুঞা, ইকবাল আহমেদ আদিয়ে ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে বিশিষ্ট চিকিৎসা বিজ্ঞানী ডাঃ ফাৰুক আহমেদক সম্বৰ্ধনা জ্ঞাপন কৰে তাৰ ভিতৰত চেন্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ হৈ সভাপতি ডাঃ আহমেদ উল্লা খান, উপ সভাপতি আব্দুল খালেক, সম্পাদক এম হাছিম আলী, সহকাৰী সম্পাদক শ্বাহনাৱাজ ৰহিম, আহোম ৰ'ৱেল চচাইটিৰ হৈ উত্তম বৰুৱা, মানৱ কল্যাণ সেৱা সংস্থাৰহৈ সম্পাদিকা ডাঃ মালাৰাণী দেৱী দত্ত আৰু মালবিকা ভুঞা আৰু মিনতি দত্ত, সদৌ অসম লেখিকা সমাৰোহ সমিতি, ডিব্ৰুগড় শাখাৰ হৈ ডাঃ মিনু দেৱী আদি আছিল অন্যতম। সভাপতিৰ মন্তব্যত ড° ভাৰতী দত্তই কেওগৰাকী বিশিষ্ট বিজ্ঞানীৰ জীৱন তথা কৰ্মৰাজিৰ বহুল প্ৰচৰৰ পোষকতা কৰে। অনুষ্ঠানত উপস্থিত সকলোকে শ্ৰুতিমধুৰ সাৱলীল ভাষাৰে শলাগৰ শৰাই আগবঢ়ায় বিজ্ঞান সমিতিৰ কাৰ্যকৰী সভাপতি তথা কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ সুদক্ষিণা দাসে।

# ENGLISH NEWS SECTION

## Assam Governor attends 4th National Sanatan Conference




Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya said that India is working relentlessly for global harmony as the nation is using its spiritual values and cultural heritage to foster universal brotherhood and friendship among different nations of the world. Attending the 4th National Sanatan Conference, organized by Brahmarashtra Ekam Vishwa Mahasangh at Hiteshwar Saikia auditorium here today, Shri Acharya said that India under the leadership of Prime Minister Narendra Modi has been working unrelentingly to strengthen the edifice of a vibrant and participatory democracy, with the help of empowered and inspired people to forge inclusive and sustainable development. By doing this, India has aspired to create a world order based on the tenets of friendship. Governor Shri Acharya said, "India's rich heritage and culture are deeply rooted in Sanatan values". Referring to Vasudhaiva Kutumbakam, which regards the world as one family, the Governor said that India has been increasingly using this philosophy as its guiding principle to foster unity.

## Royal Global University hosts ELTAI CONFERENCE



Guwahati, RB News: The Education Minister of Assam Dr. Pegu, announced that the state government plans to give a boost to teacher training in the areas of English, and Media and Information Literacy, for which around 20,000 Teacher Educators will be recruited. This announcement was made by Dr. Pegu in his Inaugural speech at the 18th International and 54th Annual Conference of English Language Teachers' Association of India (ELTAI) at The Assam Royal Global University on 23rd October, 2024. This prestigious event is being jointly hosted by the Department of English, Royal School of Languages, Royal Global University, and the Department of English, Sonapur College from the 23rd to 26th October, 2024. Recalling the contributions of Lt. Padma Shri Natrajan, the Founder of ELTAI, emphasized the important role of English as the Lingua Franca of the world. He highlighted the role of neuroscience in language learning and called for embracing multilingualism and digitization as the world order of the 21st century. English language, he said, aids the world in overcoming the boundaries of regional linguistics, caste, creed, nationality and other aspects that are characteristics of a globalized society.

## Former Indian women's hockey team captain Rani Rampal retires at 29




RB News: Former Indian women's hockey team captain Rani Rampal has announced her retirement from the sport. Rani played for India in a career that spanned 16 years. Rani scored 205 goals in 254 international matches. She was honoured with the Major Dhyan Chand Khel Ratna Award in 2020.

## India lose first home series in 12 years




RB News: New Zealand defeated India by 113 runs in the second Test in Pune on Saturday to take an unassailable 2-0 lead in the three-match series. It is India's first series defeat in Test cricket on home soil in 12 years. Prior to the ongoing series, India won 18 Test series in a row at home.

## India squad for T20 series against South Africa announced



RB News:Team India squad for the four-match T201 series against South Africa has been announced. The squad features three uncapped players: Vijaykumar Vyshak, Ramandeep Singh and Yash Dayal. Suryakumar Yadav will lead the side, while Sanju Samson and Jitesh Sharma are two wicketkeeper-batters in the squad. The squad also features Axar Patel, Ravi Bishnoi and Avesh Khan.

## India squad for 5-match Test series against Australia announced



RB News: The BCCI on Friday announced India's squad for the Border-Gavaskar Trophy which will begin on November 22. Rohit Sharma will lead the squad, while Jasprit Bumrah will be the vice-captain. Apart from senior players such as Virat Kohli, Ravichandran Ashwin and Ravindra Jadeja, the squad also includes Abhimanyu Easwaran, Harshit Rana, Nitish Kumar Reddy.

## David Warner's lifetime leadership ban lifted



RB News: Former Australia opener David Warner's lifetime leadership ban has been lifted by Cricket Australia after a successful review. The 37-year-old is now eligible to take on leadership roles with his BBL club Sydney Thunder. The lifetime ban was imposed on him following the ball-tampering scandal in 2018.

# মেঘমুক্তি

নিৰ্মালি বৰা হাজৰীকা,নগাঁও



শাওনৰ সেউজীয়া ৰংজুলি গাঁৱৰ পথাৰ। পশ্চিম আকাশত ৰান্ধনী বেলিটিয়ে ৰঙা ৰং চটিয়াই গোটেই পথাৰখন ৰাঙলী কৰি তুলিছে। চৰাই বোৰে কিৰিলি পাৰি সিহঁতৰ আশ্রয় স্থলীলৈ উভটিছে। বহু জীয়া অতীতৰ সাক্ষী আহত জোপাৰ তলত বহি প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য্য পান কৰি এক অনাবিল তৃপ্তি লাভ কৰে বিশ্বাং এ। এক অনামি প্ৰশান্তি। পৃথিৱীৰ কতো সি বিছাৰি নাপায় এই শান্তি। বিদায়ৰ বেলাত বেলাত বেলিটোৱে দান কৰে পৃথিৱীক তাৰ অপৰূপ সৌন্দৰ্য্য। বিশ্বাং ৰ মাকৰ কপালৰ সেই ৰঙা ফোট টো যেন লাগিছিল ৰঙা বেলিটো। বৰ আপোন এই পথাৰখন।সৌ সৰিয়হ তলী ডৰাৰ একাষে চিৰজীৱনৰ বাবে শুই পৰিছিল বিশ্বাংৰ মাক।

মাকৰ ভেঁটি টোৰ কাষতে বহি সি নিতৌ কথা পাতে মাকৰ সৈতে।জীৱনৰ বিষাদৰ কথা। পোৱা নোপোৱাৰ কথা। তাৰ দহ বছৰ বয়সতেই মাকে এই পৃথিৱীৰ পৰা মেলানি মাগিছিল। দেউতাকৰ পৰা অলপো সুখ নাপালে মাকে। মাকৰ লগত অকণমান কথাতে কাজিয়া লগাই বৰকৈ মাৰ-পিত কৰিছিল। বৰ মৰম লগা সহজ সৰল আছিল বিশ্বাংৰ মাকজনী। মাকৰ সপোন আছিল বিশ্বাং পুলিচ অফিচাৰ হ'ব। সমাজৰ পৰা অন্যায় অবিচাৰ নোহোৱা কৰিব।

মাক ঢুকুৱা কেইমাহ মান পিছতেই দেউতাকে অন্য এজনী তিৰোতাক বিয়া পাতি আনিলে । তেতিয়াই সি পাইছিল মাকক কিয় মাৰ-পিট কৰিছিল। মাহী মাকৰ পৰা সি অলপো মৰম নাপালে।পালে মাথো কেটেৰা জেঙেৰা মাত।নতুনকৈ সংসাৰ কৰাত তেওঁলোক ব্যস্ত হৈ পৰিল। তেওঁলোকৰ মাজলৈ আৰু দুটি সন্তানৰ আগমন ঘটিল। অকশৰীয়া হৈ পৰিছিল মাথোন বিশ্বাং। কিমান চকুলো টুকিছিল সি মাকৰ অবিহনে।

"অই বিশ্বাং অকলে অকলে বহি কি ভাৱনাত বুৰ গৈ আছ'?গম নাপাও নেকি বেলি লহিয়াবৰ হ'ল। মানুহ-দুনুহ, গৰু ছাগলি সকলো ঘৰমুৱা হ'ল। তই নাযাব নেকি ঘৰ?" মিচিমিৰ মাতত হে সম্বিত ঘূৰি আহিল বিশ্বাংৰ। ৰঙা বেলিটোৰ অকনমান ৰং যেন তাইৰ দুগালত লাগি আছিল তেতিয়াও। পকা সুমথিৰা যেন তাইৰ দুগাল। হৰিণীৰ দৰে দুচকু লাহী শৰীৰ টোৰে সৈতে তাৰ কাষত কোনোবা সৰগৰ অপেশ্চৰী বৈ থকা যেন লাগিছিল। মিচিমি বিশ্বাংৰ শৈশৱৰ লগৰী। দুয়ো একেলগে খেলা -ধূলা কৰি যৌৱনত ভৰি দিছে। এতিয়া দুয়ো ভৰযৌৱনা।

"কি কৰিম নো ঘৰত গৈ তাত কোনো নাই মোৰ। ইয়াতেই ভাল লাগে, মোৰ আই শুই আছে নিৰৱে শান্তিত। সেউজীয়া পথাৰ, সৌ পাহাৰ টো চৰাইৰ কাকলি আৰু মোৰ বুকুৰ আপোন তই আছ' যে সেইবাবে ইয়াৰ পৰা যাব নোৱাঁৰো।"

হঠাৎ আকাশ শাওনৰ কলীয়া মেঘে ছানি ধৰিলে। সিহত দুয়ো দৌৰি গৈ তঙী ঘৰ টোত সোমালগৈ যদিও তিতি জুৰুলি জুপুৰি হ'ল।"আমাক এনেকৈ ইয়াত দেখিলে ককাইদেৱে শেষ কৰি দিব।" ভয়াৰ্ত কণ্ঠেৰে মিচিছিয়ে ক'লে।

"ভয় নকৰিবি মিচিমি মই নিজে শেষ হ'লেও তোৰ একো হ'ব নিদিও"। "এনেকৈ নকবি বিশ্বাং আমি জীয়াই থাকিলেও একেলগে থাকিম। মৰিলেও একেলগে মৰিম।এই মানুহে নিদিলে এই দিখৌ নৈখনৰ পানীয়ে দি ঠাই আমাক।" বৰষুণ এৰাত মিচিমি ঘৰলৈ গ'ল। বিশ্বাং পথাৰৰ মাজৰ তঙী ঘৰটোতে থাকিল। এইবেলি সি কৰা খেতি বোৰ লহপহকৈ বাঢ়িছে লগতে তাৰ সপোন বোৰো। মাকৰ শেষ আশা সপোন পূৰ্ণ কৰিবলৈ বিশ্বাংএ অশেষ ˉ কষ্ট কৰিছে। টিউচন কৰি লোকৰ খেতিত কাম কৰি সি নিজৰ পঢ়াৰ খৰচ যোগাৰ কৰে। মিচিমিক একেবাৰে নিজৰ কৰি লোৱাৰ সপোন। এখন ঘৰ পাতি থকাৰ সপোন। মদন আৰু গাঁৱৰ দুষ্ট দানৱ কেইটাক এবেকা দিবই লাগিব। সিহঁতৰ উৎপাতত গাঁৱৰ জীয়ৰী বোৱাৰী মুক্ত মনেৰে ওলাব নোৱাঁৰা হৈছে।

মিচিমিৰ মাকে বুজি পায় তাইৰ মনৰ কথা। দগাবাজ পুতেকে যে কোনোপৰ্ধ্যে ভনীয়েকক বিশ্বাংলৈ বিয়া হ'ব নিদিয়ে ভালকৈ জানে। মাকে মিচিমিক বুজায় "সি কেনেবাকৈ তহঁতৰ কথা গম পালে তহঁত এটাকো জীয়াই থাকিব নিদিব।পাহৰি যা বিশ্বাংক।" নোৱাঁৰো অ' মা তাক এৰিব সি বৰ নিঠৰুৱা। মাকে সি সৰু থাকোতেই এৰি গ'ল। মাহীমাক আৰু দেউতাকৰ পৰা সি অলপো মৰম আদৰ নাপালে। মই তাক এৰি গ'লে আমাৰ প্ৰেমক অপমান কৰা হ'ব। সি জীয়াই থাকিব নোৱাঁৰিব।"

অনিল দাস বৰ সৎ কৰ্তব্য পৰায়ন পুলিচ বিষয়া। বিশ্বাংক দৌৰি থকা দেখিলে সদায় উৎসাহ দিয়ে। তাক বহুত সহায় ও কৰে মানুহ জনে। দুয়ো মিলি কথা পাতে মদন হতঁক হাতে লোটে ধৰি শাস্তি দিয়াৰ।

সেইদিনা বিশ্বাং এ দৌৰা শেষ কৰি পথাৰ খন এপাক চাই আহো বুলি গৈছিল। সন্ধ্যা নামিবৰ হৈছিল।সি কোনোবা ছোৱালীৰ চিঞৰ শুনা পালে। দৌৰী গৈ সি কোনোমতে ৰক্ষা কৰিলে জোনালীক। জোনালী মিচিমিৰ বান্ধৱী। মদনে তাইক প্ৰেমৰ প্ৰস্তাৱ দিছিল। কিন্তু জোনালীয়ে সেই প্ৰস্তাৱ প্ৰত্যাখান কৰিছিল। তাইক সেইদিনা পথাৰত অকলে পাই ধৰি বান্ধি লৈ গৈছিল। ভ্যাগ ভাল সেই সময়ত বিশ্বাং গৈ পালে আৰু লগে লগে পুলিচক মাতি মদনক গতাই দিলে।

মনটো বৰ ফৰকাল লাগিল বিশ্বাংৰ আজি তাৰ ইণ্টাৰভিউৰ ৰিজাল্ট ওলাল। বিশ্বাং উত্তীৰ্ণ হ'ল। সি লৰালৰিকৈ মাকৰ ভেঁটি টোৰ ওচৰলৈ গ'ল। ভেঁটিটোতে সেৱা এটা কৰি ক'লে "মা মই তোৰ সপোন পুৰা কৰিলোঁ। মোক আশীৰ্বাদ কৰিবি যাতে মই আগুৱাই গৈ সমাজৰ পৰা অন্যায় অত্যাচাৰ আতৰাব পাৰো।"

আজি বিশ্বাং এজন সুদক্ষ পুলিচ বিষয়া। গাৱঁৰ মানুহৰ সকলো সমস্যা সি সমাধান কৰিছে। মাকৰ ভেঁটিৰ কাষতে সি এখন ঘৰ বনালে। মিচিমিক বিয়া পাতি দুয়ো সুখেৰে থাকিল। মদনেও জেলৰ পৰা ওলাই আহি বিশ্বাংৰ শৰণাপন্ন হ'ল। নিজৰ ভুলবোৰ বুজি পাই সৎ পথলৈ ঘূৰি আহিল। এদিন তাৰ দেউতাক আৰু মাহীমাকো দুইজন পুতেকৰ অত্যাচাৰ সহিব নোৱাঁৰি তাৰ ওচৰলৈ আহিল। সি তেওঁলোককো আকোঁৱালি ল'লে। বৰ উদাৰ মনৰ মানুহ বিশ্বাং। সেইবাবেই কিজানি তাৰ সপোনবোৰো পুৰ কৰিলে ভগৱানে।

# অতীতৰ প্ৰণয়ী

প্ৰিন্স পাঠক



এটি হাঁহিত পিছলি যাই
মোৰ এই ডেকা মন
সেয়ে প্ৰতিটো পুৱাই
কেৱল কৰিছিলোঁ তেওঁকেই আশা
যদিও দিঠকত বহু নিলগত
এতিয়াও সপোনত আহি মন ৰঙাই ।
তেওঁৰ অনুপস্থিতিত মনত
নৈৰাশ্যৰ অবিৰত স্থান
এটি সময়ত প্ৰত্যাশাৰ
জাল বন্ধা মকৰা মই
এতিয়া নিসংগ ক্ষুব্ধ পিপৰা
আবেগৰ নাই কোনো স্থান ।
তেওঁ এডাল বিশাল গছ
ডাল ভৰি প্ৰণয়ৰ পাত
মই এটি ক্লান্ত বিহগ
জিৰালো পাতৰ ছাঁত
সেই পাত আজি মৰহিলে
মনত বিষাদৰ গভীৰ দাগ ।
দুপৰৰ পছোৱা জাকত
ফৰকাল খেতি পথাৰত
তেওঁৰ কোমল আঙুলিৰ
মৰম ভৰা পৰশত
বাঢ়ি অহা মোৰ হৃদয়ৰ স্পন্দন
তেওঁৰ জানো আছে মনত ?
পাহৰা নাই তেওঁৰ মুখনি
পাহৰা নাই তেঁওৰ কথাবোৰ
অনেক মিছা প্ৰতিশ্ৰুতিবোৰ
যিয়ে আনিছিল মনত প্ৰীতিৰ জোৱাৰ,
তেওঁৰ অভিনয়ক প্ৰণয় ভাবিলো
এতিয়া মইও কৰোঁ অভিনয়
মুখত মিছা হাঁহি ৰাখি
আনৰ আগত সুখী হোৱাৰ।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286